# বিটিচিত বিপিএফৰ ১৭ বছৰীয়া শাসনত বৃহৎ দুৰ্নীতি

## ■ বাগ্‌সাৰ লক্ষীবজাৰত ইউপিপিএলৰ সংবাদমেল



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৩০ মে' ঃ** বাগ্‌সা জিলাৰ লক্ষীবজাৰ চূণবাগানত ককলাবাৰী পৰিষদীয় সমষ্টিৰ উন্নয়নৰ খতিয়ান দাঙি ধৰি আজি ইউপিপিএলে এখন সংবাদমেল সম্বোধন কৰে। বিটিচিৰ বাগ্‌সা জিলাৰ ২২ নম্বৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ আগমুহূৰ্তত দলটোৰ হৈ বিটিচিৰ কাৰ্যবাহী সদস্য উইলচন হাচ্‌দা আৰু গৌতম দাসে সংবাদমেল সম্বোধন কৰে। সংবাদমেলত হাগ্ৰামা মহিলাৰীৰ বিপিএফৰ বিৰুদ্ধে সৰৱ হৈ পৰে কাৰ্যবাহী সদস্য হাচ্‌দাই। কালি বাগ্‌সাৰ শিমলাত বিপিএফৰ এমচিএলএ তথা বিৰোধী দলৰ দলপতি দেৰহাছাৎ বসুমতাৰীয়ে সম্বোধন কৰা সংবাদমেলৰ প্ৰত্যুত্তৰ দিয়ে। তেওঁ কয়, 'বিটিচি প্ৰধান প্ৰমোদ বড়োৰ নীতি-আদৰ্শ হৈছে ৰাইজক সেৱা কৰা।' ককলাবাৰীত ৰাস্তা-ঘাট, মহাবিদ্যালয়কে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৈ'বাটাও উন্নয়নমূলক কাম হৈছে বুলি দেৰহাছাৎ বসুমতাৰীৰ প্ৰশ্নক খণ্ডন কৰে হাচ্‌দাই। হাচ্‌দাই কয়, 'বিটিচিত প্ৰমোদ বড়োৰ চৰকাৰৰ দিনত ককলাবাৰী পৰিষদীয় সমষ্টিৰ দুখীয়া ল'ৰা-ছোৱালীসকলক সহায়ৰ হাত আগবঢ়োৱা হৈছে। ককলাবাৰীত দুখীয়া পৰিয়ালক আৰ্থিক অনুদানেৰে সহায়-সহযোগিতা আগবঢ়াইছে বিটিচি প্ৰধান বড়োৱে। বড়োৰ চৰকাৰৰ দিনত ককলাবাৰীত কে'বাটাও বিভাগৰ ৪২ টাকৈ উন্নয়নমূলক কাম হৈছে। বিটিচিত বিপিএফে ১৭ বছৰ শাসন কৰি কিয় একো কৰিব নোৱাৰি এতিয়া বড়োৰ ১৭ মহীয়া চৰকাৰখনক সমালোচনা কৰিবলগীয়া হৈছে? বিটিচিত বিপিএফৰ ১৭ বছৰীয়া শাসন কালতহে দুৰ্নীতি হৈছিল। বিপিএফৰ বিৰুদ্ধে নশ কোটি টকাৰ কেলেংকাৰিৰ অভিযোগ উত্থাপন হৈছে। বড়োৰ চৰকাৰৰ দিনত বিটিচিত শান্তিৰ পৰিৱেশ ঘূৰি আহিছে।' সংবাদমেলত বিপিএফৰ ভুৱা তথ্য নুশুনিবলৈ ককলাবাৰীৰ ৰাইজক আহ্বান জনায় হাচ্‌দাই। ককলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থী মণ্টু বড়োক ভোটদান সাব্যস্ত কৰি জয়লাভ কৰি নিবলৈ ককলাবাৰীৰ ৰাইজক আহ্বান জনায়। কাৰ্যবাহী সদস্যজনৰ লগতে কাৰ্যবাহী সদস্য গৌতম দাসেও হাগ্ৰামা মহিলাৰীৰ বিপিএফক সমালোচনা কৰি নিজৰ নীতি-আদৰ্শক ঠিক কৰি আনক সমালোচনা কৰিবলৈ আহ্বান জনায়। সংবাদমেলত বিধায়ক জয়ন্ত বসুমতাৰী আৰু দলটোৰ কে'বাগৰাকীও নেতা-কৰ্মীয়ে উপস্থিত থাকে।

# পি এম কেয়াৰছ ফাণ্ডৰ দ্বাৰা উপকৃত হ'ল শিৱসাগৰৰ দুই কিশোৰ-কিশোৰী

## ভিডিঅ' কনফাৰেন্সিং যোগে প্ৰধানমন্ত্ৰীয়ে মুকলি কৰিলে আঁচনিৰ সুবিধা লাভালাভ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৩০ মে' ঃ** পি এম কেয়াৰছ ফাণ্ডৰ অধীনত উপকৃত হ'বলৈ সক্ষম হৈছে শিৱসাগৰ জিলাৰ দুগৰাকী কিশোৰ-কিশোৰী। ইয়াৰ প্ৰথমগৰাকী হৈছে ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত নিতাইপুখুৰী কোঁৱৰ গাঁৱৰ প্ৰিয়াক্ষী দিহিঙীয়া (১৭) আৰু দ্বিতীয়গৰাকী হৈছে শিৱসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত দৰবাৰ ৰোড, তিনি নম্বৰ ৱাৰ্ডৰ প্ৰতিম ষ্টিফেন সিন্‌হা (১৭)। উল্লেখ্য যে দুয়োগৰাকী কিশোৰ-কিশোৰীৰ মাতৃ ইতিমধ্যে বিয়োগ হোৱাৰ লগতে দুয়োগৰাকী কিশোৰ-কিশোৰীৰ পিতৃদ্বয়ো ক'ভিডত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিছিল। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং যোগে পি এম কেয়াৰছ আঁচনিৰ ধনৰাশি আৰু অন্যান্য সুবিধা হিতাধিকাৰীসকললৈ মুকলি কৰি দিয়ে। শিৱসাগৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ ভিডিঅ' কনফাৰেন্স হলত অতিৰিক্ত উপায়ুক্ত চন্দনা বৰুৱা আৰু সহকাৰী আয়ুক্ত নুজহাত নাছৰিনৰ লগতে জিলা শিশু সুৰক্ষা গোটৰ অন্যান্য বিষয়ববীয়াসকলৰ উপস্থিতিত দুয়োগৰাকী কিশোৰ-কিশোৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয় আৰু লগতে দুয়োগৰাকীকে পি এম কেয়াৰছৰ প্ৰমাণপত্ৰ, পাছবুক, হেল্‌থ কাৰ্ড আদি প্ৰদান কৰা হয়।

# 'মানুহে মানুহৰ বাবে'ৰ উদ্যোগত এক উমাল আবেলি

## ■ ডি এইচ এছ কানৈ মহাবিদ্যালয়ত

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড় ৩০ মে' ঃ** সমাজৰ বিভিন্ন দিশত পিছপৰি থকা, অৱহেলিত দুৰ্গতসকলক সহায়ৰ হাত আগবঢ়োৱাৰ লক্ষ্যৰে গঠন হোৱা 'মানুহে মানুহৰ বাবে' সংগঠনটোৰ প্ৰথমখন বৈঠক কালি ডি এইচ এছ কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হয়। অসমৰ বিভিন্ন প্ৰান্তত থকা শিল্পী, সাহিত্যিক, বৰেণ্য বক্তিৰে গঠিত হোৱা সংগঠনটোৰ সভাখন পৰিচালনা কৰে কবি যোগেশ গগৈয়ে। উদ্দেশ্য ব্যাখ্যা কৰি সংগঠনটোৰ সম্পাদকৰ দায়িত্বত থকা বিশিষ্ট শিল্পী লোহিত গগৈয়ে কয় যে মানুহে মানুহৰ বাবে সেৱা কৰিবলৈ, মানুহে মানুহৰ বাবে কাম কৰি যাবলৈ এই সংগঠনটো প্ৰথম অৱস্থাত ৱাটছএপ গ্ৰুপ হিচাপে মুকলি কৰা হৈছিল। অসমৰ ভিতৰে-বাহিৰে এই গ্ৰুপটোৰ প্ৰতি অফুৰন্ত সঁহাৰি লাভ কৰাৰ পাছত সংগঠনলৈ ৰূপান্তৰিত কৰাৰ উদ্দেশ্যে সভাখন অনুষ্ঠিত কৰা হয় বুলি মন্তব্য কৰে। তেওঁ কয় যে এতিয়াও সমাজত মানৱীয় প্ৰমূল্য হেৰাই যোৱা নাই, এচাম মানুহে মানুহে মানুহৰ বাবে চিন্তা কৰাৰ বাটত সহায়ৰ হাত আগবঢ়াইছে। মানুহে মানুহৰ বাবে এই সংগঠনটোৱে কেৱল হেৰাই যাব ধৰা মানুহৰ প্ৰমূল্যবোধক উজ্জিৱীত কৰিব আৰু দুৰ্গতসকলক সহায়ৰ হাত আগবঢ়াই যাব। মুম্বাইস্থিত অসমৰ সু-সন্তান ত্ৰিনয়ণ সন্দিকৈয়ে সভাত উপস্থিত থাকি এয়া অতি উত্তম চিন্তা বুলি মন্তব্য কৰি তেওঁ এই ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াই যাব বুলি মন্তব্য কৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত হোৱা সভাখনত অৰুণাচল প্ৰদেশৰ প্ৰাক্তন বন বিষয়া অৰূপ কুমাৰ চৌধুৰীয়ে তেওঁ মানুহৰ হকে আজীৱন কাম কৰি অহা বুলি উল্লেখ কৰি কয় যে এই সংগঠনটোৱে প্ৰতিজন মানুহক মানুহৰ হকে কাম কৰি যাবলৈ অনুপ্ৰেৰণা যোগাব। ডি এইচ এছ কানৈ মহাবিদ্যালয় অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই কয় যে ক্ষয়িষ্ণু সমাজ ব্যৱস্থাৰ এই সন্ধিক্ষণত এনে এটা ইতিবাচক চিন্তা সঠিক হৈছে আৰু এই সংগঠনটোৱে মানৱীয় প্ৰমূল্য উদ্বুদ্ধ কৰি সমাজত মানুহে মানুহৰ বাবে চিন্তা কৰাৰ অৱকাশৰ বাট মুকলি কৰিব। সভাপতি যোগেশ গগৈয়ে কয় মানুহে মানুহৰ বাবে চিন্তা কৰাৰ বাট হেৰুৱাৰ এনে মুহূৰ্তত এই সংগঠনটোৱে কেৱল মানুহৰ হকে কাম কৰি যাব। তেওঁ কয় যে পাঁচ জুনত টেঙাখাটত এনে এক কাৰ্যসূচী সম্পন্ন কৰা হ'ব। অনুষ্ঠানত সমাজকৰ্মী ড° উৎপল শৰ্মায়ো বক্তব্য প্ৰদান কৰে। শিল্পীসকলৰ গীত-মাতে উমাল কৰি তোলা সভাত অভিযন্তা ভূপেন গগৈ, কবি সুৰজিতা সন্দিকৈ গগৈকে প্ৰমুখ্য কৰি শিল্পী ইউৰেকা বৰুৱা, সমাজকৰ্মী শৈলেন কুমাৰ বৰুৱা, বলীত ফুকন, জিষ্ণু ফুকন, লুলু গোহাঁই, হিৰোজ দত্ত, মানৱ গগৈ, সঞ্জীৱ শইকীয়া, কুকিল সুন্দৰ বৰগোহাঁই, অসীম কুমাৰ গগৈ, অৰ্পনদ্বীপ গগৈ, অজিত গগৈ, বিনোদ শিলপনীয়া, হিৰণ্য সোণোৱাল, পৰমা ফুকন, চিত্ৰালী ফুকন, দিগন্ত গোহাঁই, ঝৰ্ণা ৰবীন দিহিংগীয়াকে ধৰি শতাধিক শিল্পী, কবি, সাহিত্যিক, সমাজকৰ্মী উপস্থিত থাকে। বিভিন্ন প্ৰান্তৰ পৰা অহা অংশগ্ৰহণকাৰীসকলে এয়া সঠিক সময়ত সঠিক চিন্তা বুলি মন্তব্য কৰা সভাৰ শেষত ড° ভূপেন হাজৰিকাৰ মানুহে মানুহৰ বাবে সেই যুগজয়ী গীতটি সমৱেত হৈ পৰিৱেশন কৰি সকলো আৱেগিক হৈ পৰে।

# গৌৰীপুৰত স্বামীৰ নিৰ্যাতন সহিব নোৱাৰি দেৱ শিশুক লৈ পিতৃ গৃহত আশ্ৰয় ল'লে মহিলাই

## ■ স্বামীৰ বিৰুদ্ধে থানাত গোচৰ

**অগ্ৰদূত বাৰ্তা**
**গৌৰীপুৰ, ৩০ মে' ঃ** যৌতুক হিচাপে পত্নী গৃহৰ পৰা দাবী কৰা এখন চাৰিচকীয়া বাহন নেপাই পত্নীৰ ওপৰত এজন চাকৰিয়াল যুৱকে অকথ্য নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। যুৱকজন গৌৰীপুৰ আৰক্ষী থানাৰ ভেলাকোবা গাঁৱৰ বাসিন্দা ছাজুৱাৰ ৰহমান। তেওঁ কৰ্মসূত্ৰে ৰূপছী উন্নয়ন খণ্ড কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী। প্ৰায় আঢ়ৈ বছৰ পূৰ্বে বালাজানৰ ধোৱাৰঘাট গাঁৱৰ তালেব আলীৰ কন্যা তাজমিনা খাতুনৰ লগত বিবাহ সম্পন্ন হৈছিল ৰহমানৰ। অভিযোগ অনুসৰি, বিবাহৰ পাছতে জোঁৱায়েকক শহুৰেক তালেব আলীয়ে নগদ ডেৰ লাখ টকাসহ প্ৰায় আঠ লাখ টকাৰ আচবাব পত্ৰ যৌতুক হিচাপে আদায় দিছিল। তাৰ পাছত তাজমিনাৰ লগত স্বামীৰ সম্পৰ্ক ঠিকেই আছিল। ইয়াৰ মাজতে তাজমিনাই জন্ম দিয়ে এটি পুত্ৰ সন্তান। কিন্তু পুত্ৰ সন্তান জন্মৰ পাছৰে পৰা তাজমিনাৰ জীৱনলৈ নামি আহে স্বামীৰ ভয়ংকৰ নিৰ্যাতন। স্বামী ৰহমানে পত্নী গৃহৰ পৰা যৌতুক হিচাপে দাবী কৰে এখন চাৰিচকীয়া বাহন। কিন্তু তাজমিনাৰ পিতৃয়ে চাৰিচকীয়া বাহন দিয়াত ব্যৰ্থ হোৱাত তাজমিনাৰ ওপৰত স্বামী ৰহমানে আসুৰিক অত্যাচাৰ চলায়। প্ৰতি নিশাই স্বামীয়ে নিচাজাতীয় দ্ৰব্য সেৱন কৰি ছিগাৰেটৰ জুইৰে পত্নীৰ গাত লগাই দিয়াৰ কেতিয়াবা মাৰপিট কৰাৰ লগতে পত্নী তাজমিনাৰ ডিঙিত ডেগাৰ লগাই হত্যা কৰিবলৈ উদ্যত হয়। ভুক্তভোগী মহিলাগৰাকীয়ে স্বামীৰ অমানুষিক নিৰ্যাতন সহিব নোৱাৰি তাজমিনাই প্ৰায় এমাহ পূৰ্বে স্বামী গৃহ ত্যাগ কৰি পিতৃ গৃহত আশ্ৰয় লয়। তাৰ পাছতে স্বামীৰ বিৰুদ্ধে যৌতুক দাবী আৰু নিৰ্যাতনৰ অভিযোগত ভুক্তভোগী পৰিয়ালে স্থানীয় দাওভাঙী আৰক্ষী পহৰা চকীত এজাহাৰ দাখিল কৰে। দাওভাঙী আৰক্ষীয়ে অভিযুক্ত ৰহমানক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় যদিও পিছ মুহূৰ্তত ৰহস্যজনকভাৱে মুকলি কৰি দিয়ে।এই অভিযোগ উত্থাপন কৰি ভুক্তভোগী তাজমিনাই আৰক্ষীৰ বিৰুদ্ধে অভিযুক্তক ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ তোলে। উল্লেখ্য যে আৰক্ষীয়ে ২৩৫/২২ নম্বৰত অভিযুক্ত ৰহমানৰ বিৰুদ্ধে এটা গোচৰ পঞ্জীয়ন কৰিছে যদিও অভিযুক্তই মুকলি আকাশৰ তলত ঘূৰি ফুৰাত জিলা আৰক্ষী অধীক্ষকৰ ওচৰত ন্যায় বিচাৰিছে ভুক্তভোগী মহিলাগৰাকীয়ে।

# প্ৰকৃতিপ্ৰেমী বৃক্ষ বন্ধু কুমুদ বৰুৱাক 'হৰেণ বোথ্ৰা সোঁৱৰণী পৰিৱেশ বঁটা'

## ■ কুইজত শ্ৰেষ্ঠ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়

## ■ পৰিৱেশ সম্পৰ্কীয় বক্তৃতানুষ্ঠান



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৩০ মে' ঃ** দৰং মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, উদ্ভিদ বিজ্ঞানী প্ৰয়াত হৰেণ বোথ্ৰাৰ ৮১ সংখ্যক জন্ম দিনৰে সংগতি ৰাখি আজি তেজপুৰ চায়েন্স একাডেমীৰ উদ্যোগত অনুষ্ঠিত হয় এক বিশেষ অনুষ্ঠান। ইয়াতে বিশ্বনাথ নিবাসী তথা ৰাজ্যৰ বিভিন্ন অঞ্চলত গছপুলি ৰোপণ আৰু প্ৰতিপালন কৰি অহা বিশিষ্ট প্ৰকৃতিপ্ৰেমী, বৃক্ষ বন্ধু কুমুদ বৰুৱাক 'হৰেণ বোথ্ৰা সোঁৱৰণী পৰিৱেশ বঁটা' প্ৰদান কৰা হয়। উল্লেখ্য যে প্ৰয়াত বোথ্ৰাৰ পৰিয়ালৰ সহযোগত তেজপুৰৰ চায়েন্স একাডেমীয়ে শিক্ষানুষ্ঠানৰ প্ৰাংগনত প্ৰথমবাৰৰ বাবে এই বঁটা প্ৰদান অনুষ্ঠানৰ লগতে পৰিৱেশ সচেতনতাৰ কাৰণে 'বৈশিষ্টপূৰ্ণ অৱদান সংৰক্ষণ আৰু বনানীকৰণ 'শীৰ্ষক এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। চায়েন্স একাডেমীৰ প্ৰতিষ্ঠা লগ্নৰ অন্যতম কাণ্ডাৰীজনৰ সোঁৱৰণত একাডেমীৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভানেত্ৰী বিশিষ্ট সমাজকৰ্মী ডাঃ লক্ষ্মী গোস্বামীৰ পৌৰোহিত্যত অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱাই আঁত ধৰা আজিৰ এই বিশেষ বঁটা প্ৰদান অনুষ্ঠানটো আৰম্ভ হয় প্ৰয়াত বোথ্ৰাৰ প্ৰতিচ্ছবিত সহধৰ্মিনী অৰুণ মণি বোথ্ৰা আৰু শাহু অনু চৌধুৰীৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে। ইয়াৰ পাছতেই চায়েন্স একাডেমীৰ অধ্যক্ষা সুৰঞ্জনা শৰ্মাই বৰগীত পৰিৱেশন কৰে। আনহাতে, আৰম্ভণিতেই প্ৰবীন সমাজকৰ্মী ডাঃ গোস্বামীয়ে সভাপতিৰ আসনৰ পৰা আদৰণী ভাষণ প্ৰদান কৰি প্ৰয়াত বোথ্ৰাই নিজৰ সকলো সময় প্ৰকৃতি সুৰক্ষাৰ বাবেই পাৰ কৰিছিল বুলি কৈ বোথ্ৰা উদ্ভিদ বিজ্ঞানৰ এগৰাকী প্ৰকৃত শিক্ষক আছিল বুলি মন্তব্য কৰে। আনহাতে, তেজপুৰত বিজ্ঞান শিক্ষাৰ অভাব দূৰ কৰিবলৈ চায়েন্স একাডেমী প্ৰতিষ্ঠা কৰাৰ সপোন দেখি এই অনুষ্ঠানৰ গঢ় দিয়াৰ পৰা নিজৰ আপোন ঘৰতকৈও অধিক সময় শিক্ষানুষ্ঠানখনত ব্যয় কৰি প্ৰত্যেকগৰাকী শিক্ষাৰ্থীক বিজ্ঞান মনস্কতাৰে গঢ়ি তোলাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰিছিল বুলি কৈ বোথ্ৰাৰ বিয়োগৰ পিছত নিজৰ সোঁহাতখন হেৰাই যোৱাৰ অনুভৱ সদায় কৰি আহিছে বুলি মন্তব্য কৰে তেওঁ। আনহাতে, তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বীৰেণ দাস, বিশ্ববিদ্যালয়খনৰ প্ৰাক্তন সম উপাচাৰ্য ড° মানৱেন্দ্ৰ ভূঞা, বিশিষ্ট শিক্ষাবিদ ড° ভুবনেশ্বৰ চহৰীয়া,দৰং মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° অৱনী কুমাৰ শৰ্মা, অৱসৰী অধ্যাপক ভূপেন্দ্ৰ নাথ হাজৰিকা, তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়া, অৱসৰ প্ৰাপ্ত অধ্যাপক ড° সতীশ চন্দ্ৰ ভট্টাচাৰ্য, দৰং মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মহেন্দ্ৰ নাথ কেওঁটকে ধৰি তেজপুৰৰ শৈক্ষিক ক্ষেত্ৰখনৰ বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানটোত প্ৰয়াত বোথ্ৰাৰ বিশেষ স্মৃতিচাৰণ কৰি দৰংমহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, তথা তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পূৰ্ণেশ্বৰ নাথে বোথ্ৰা তেজপুৰৰ মহৎ ঐতিহ্যৰ উত্তৰাধিকাৰী বুলি কৈ মহৎ ঐতিহ্যৰ উত্তৰাধিকাৰী হ'ব পৰা দৃষ্টি আৰু দৰ্শন দুয়োটাই বোথ্ৰাৰ ব্যক্তিত্বত প্ৰতিয়মান হৈছিল বুলি উল্লেখ কৰে। আনহাতে, এগৰাকী প্ৰকৃত ৰূপত উদ্ভিদ বিজ্ঞানৰ কলেজ শিক্ষক ৰূপে বোথ্ৰাই নিজৰ বৃত্তিক প্ৰবৃত্তি লৈ ৰূপান্তৰিত কৰিছিল বুলি মন্তব্য কৰি তেওঁৰ আদৰ্শৰ বন্তি আজিও জ্বলি থকা দৰংমহাবিদ্যালয়ৰ শিক্ষক সকলৰ অন্যতম বোথ্ৰা আছাল বুলিও মন্তব্য কৰে। বিশিষ্ট অনাতাঁৰ শিল্পী দুৰ্গাময়ী বৰাই বোথ্ৰাৰ প্ৰিয় গীত এটা পৰিবেশন কৰা অনুষ্ঠানটোত প্ৰকৃতিসংৰক্ষক কুমুদ বৰুৱাক প্ৰথমবাৰৰ বাবে 'হৰেণ বোথ্ৰা সোঁৱৰণী পৰিৱেশ বঁটা' হিচাপে গামোচা, শৰাই, প্ৰশস্তি পত্ৰ আৰু নগদ ধন আগবঢ়োৱা হয়। নিজৰ অনুভৱ ব্যক্ত কৰি প্ৰবীণ প্ৰকৃতি সংৰক্ষকজনে প্ৰকৃতি সুৰক্ষিত কৰি ৰাখি মানুহক স্বাস্থ্যসন্মতভাৱে জীয়াই থাকিব পৰাকৈ কিছু ত্যাগৰ মনোবৃত্তিৰে জীৱনত আগবাঢ়িবলৈ আহ্বান জনায়। আনহাতে, এই বঁটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা 'পৰিৱেশ সচেতনতাৰ কাৰণে বৈশিষ্টপূৰ্ণ অৱদান ঃ সংৰক্ষণ আৰু বনানিকৰণ' শীৰ্ষক বিষয়ত ভাষণ প্ৰদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগৰ অধ্যাপক ড° অপূৰ্ব দাসে। নিৰ্দিষ্ট বিষয়ৰ ওপৰত ভাষণ প্ৰদান কৰি কেনেকৈ প্ৰকৃতি ধ্বংসৰ বাবে পৰিৱেশলৈ অশনি সংকেত নামি আহিছে তাৰ সবিশেষ আলোকপাত কৰে। শব্দ প্ৰদূষণে একোখন চহৰত কেনে পৰিৱেশৰ সৃষ্টি কৰিছে আৰু ৰোগীয়া ব্যক্তি জীয়াই থকাৰ পৰিৱেশেই নোহোৱা হৈ পৰিছে বুলি উল্লেখ কৰি তেওঁ এই বিষয়ে উদাহৰণ সহ ব্যাখ্যা কৰি ইয়াৰ পৰা পৰিত্ৰাণৰ বাবে সকলোকে গছপুলি ৰোপনৰ দিশটোত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশ অংশ গ্ৰহণ কৰি তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই প্ৰকৃতিপ্ৰেমী বোথ্ৰাৰ স্মৃতিচাৰণ কৰে। উল্লেখ্য যে আজি এই অনুষ্ঠানৰে সংগতি ৰাখি দুপৰীয়াৰ পৰা বিশিষ্ট কুইজ পৰিচালক তথা দৰংমহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশ মণি শইকীয়াৰ পৰিচালনাত অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিক প্ৰাইজমানী মুকলি কুইজ প্ৰতিযোগিতাত ৰাজ্যখনৰ ৭০ টা দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰথম স্থান অৰ্জন কৰি নগদ ১০ হেজাৰ টকা লাভ কৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ছাত্ৰ শয়ন মজুমদাৰ আৰু বিশ্বায়ন ভট্টাচাৰ্যৰ লগতে দ্বিতীয় স্থান দখল কৰা জামিয়া মিলিয়া প্ৰতিষ্ঠানৰ আৰু কটন বিশ্ববিদ্যালয়ৰ ৰজিবুল আৱাল আৰু ৰক্তিম ৰঞ্জন বৈশ্যক নগদ সাত হেজাৰ টকা তথা তৃতীয় স্থান লাভ কৰা কটন বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মনদীপ বায়ন আৰু পল্লৱ কুমাৰ দাসক নগদ পাঁচ হেজাৰ টকাৰ পুৰস্কাৰ আগবঢ়ায়।

# নলবাৰী মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত তিনিদিনীয়া সংৰোপণ শিবিৰৰ সামৰণি

## বিনামূলীয়াকৈ ৭১ অসহায় লোকলৈ কৃত্ৰিম হাত, ভৰি, কেলিপাৰ



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৩০ মে' ঃ** নলবাৰী মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত অনুষ্ঠিত বিনামূলীয়া কৃত্ৰিম ভৰি, হাত আৰু কেলিপাৰ সংৰোপণৰ তিনিদিনীয়া শিবিৰৰ কালি সামৰণি পৰে। উল্লেখ্য যে মাৰোৱাৰী যুৱ মঞ্চৰ প্ৰাক্তন সভাপতি কিষাণ আগৰৱালা আৰু সমাজসেৱক ৰাজেশ আগৰৱালাৰ সোঁৱৰণত অনুষ্ঠিত শিবিৰৰ সামৰণি অনুষ্ঠানত কালি ৰাজ্যখনৰ বিভিন্ন জিলাৰ ৭১ গৰাকী অসহায় লোকক বিনামূলীয়াকৈ কৃত্ৰিম ভৰি, হাত আৰু কেলিপাৰ প্ৰদান কৰা হয়। নলবাৰী মাৰোৱাৰী যুৱ মঞ্চৰ সভাপতি বিকাশ আগৰৱালা আৰু সম্পাদিকা নেহা জৈনে জনোৱা মতে, যোৱা ২৭ মে'ৰ পৰা তিনিদিনীয়াকৈ এই শিবিৰ নলবাৰীৰ ধৰমশালাত অনুষ্ঠিত কৰা হয়। শিবিৰত নলবাৰীকে ধৰি পাঠশালা, বৰপেটা, বিশ্বনাথ চাৰিআলি, গোৰেশ্বৰ, মৰিগাঁও, বাগ্‌সা আদিৰ পৰা ৭১ গৰাকী লোকক আমি কৃত্ৰিম হাত, ভৰি আৰু কেলিপাৰ প্ৰদান কৰা হয়। উল্লেখ্য যে চহৰৰ ধৰমশালাত কালি অনুষ্ঠিত এক অনুষ্ঠানত অসহায় লোকসকলক এই কৃত্ৰিম ভৰি, হাত আৰু কলিপাৰ প্ৰদান কৰা হয়। উল্লেখ্য যে চহৰৰ ধৰমশালাত কালি অনুষ্ঠিত এক অনুষ্ঠানত অসহায় লোকসকলক এই কৃত্ৰিম ভৰি, হাত আৰু কলিপাৰ প্ৰদান কৰে বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱাই। বিধায়কজনে দুখীয়া তথা অসহায় লোকসকলক কৃত্ৰিম হাত, ভৰি আৰু কেলিপাৰ প্ৰদান কৰি কয় যে মাৰোৱাৰী যুৱ মঞ্চই বহু আগৰ পৰাই দুখীয়া মানুহৰ বাবে সেৱা আগবঢ়াই আহিছে। এয়া তেওঁলোকৰ মহানুভৱতা। এই কৰ্মৰ দ্বাৰা তেওঁলোকক নতুন জীৱন দান দিয়াৰ নিচিনা হৈছে। তদুপৰি এই মহৎ কামৰ দ্বাৰা মাৰোৱাৰী যুৱ মঞ্চৰ জনসাধাৰণৰ প্ৰতি থকা দায়বদ্ধতাক প্ৰকাশ কৰিছে বুলিও বিধায়কজনে প্ৰকাশ কৰে। অনুষ্ঠানত মাৰোৱাৰী যুৱ মঞ্চৰ বিষয়ববীয়া তথা শিবিৰৰ আহ্বায়ক পংকজ জৈন, বজৰং গাৰোদিয়াৰ লগতে সাংবাদিক এম মহিবৰ ৰহমান অতিথিৰূপে উপস্থিত থাকে। উল্লেখ্য যে তিনিদিনীয়া শিবিৰৰ প্ৰথম দিনা পঞ্জীয়ন আৰু জোখ-মাখ কাৰ্যসূচীত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ উমেশ ফ্ৰাংচু উপস্থিত থকাৰ উপৰি দ্বিতীয় দিনা কৃত্ৰিম ভৰি, হাত আৰু কেলিপাৰ প্ৰস্তুত কাৰ্যসূচীত উপস্থিত থাকে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ।



নগাবাটৰ মিলনভূমিত মহাপুৰুষ মাধৱদেৱৰ আৱিৰ্ভাৱ তিথি, সোমবাৰে।

# আদৰ্শ কৃষক, সমাজকৰ্মী দণ্ডীৰাম বৰ্মনৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**
**চামতা, ৩০ মে' ঃ** পশ্চিম নলবাৰী অঞ্চলৰ গামাৰিমূৰীৰ সাহপুৰ নিৱাসী বিশিষ্ট ব্যৱসায়ী, আদৰ্শ কৃষক তথা সমাজহিতৈষী দণ্ডীৰাম বৰ্মন(৯৫)ৰ যোৱা নিশা ১১-৩৫ বজাত বাৰ্ধক্যজনিত কাৰণত নিজঘৰতে বিয়োগ ঘটাত বৃহত্তৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে পশ্চিম নলবাৰীৰ ঐতিহ্যমণ্ডিত নদলা বজাৰৰ বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী বৰ্মন সাহপুৰ ৰাজঘাটৰ বৃহৎ গেলামাল দোকানৰ লগতে সুলভ মূল্যৰ দোকানৰ স্বত্বাধিকাৰ। নদলা বজাৰ বজাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন উপ-সভাপতি, কৰ্মৰত উপদেষ্টা বৰ্মন ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজ, ধৰ্মপুৰ জ্ঞানদায়িনী সভা, দুৰ্গা পূজা, সাহপুৰ ৰাজঘাট বজাৰ পৰিচালনা সমিতি, কুলবিলঘাট ৰাজহুৱা শিৱালয় প্ৰমুখ্যে অঞ্চলটোৰ ভালেসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। ডেকা বয়সত কঠোৰ পৰিশ্ৰম কৰি ৬০ৰ দশকতে সাহপুৰ ৰাজঘাটত এখন গেলামালৰ দোকান আৰম্ভ কৰি নিষ্ঠা আৰু সততাৰে ব্যৱসায় চলাই পিছলৈ তেওঁ এইক্ষেত্ৰত বিশেষ সফলতা অৰ্জন কৰে । পাছলৈ ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি কৰি দোকানৰ লগতে এটি ধানবনা কল স্থাপন কৰা বৰ্মন অঞ্চলবাসীৰ মাজত দণ্ডী মাহাজন হিচাবে খ্যাতি লাভ কৰিছিল। চাৰি ভাই-ককাইৰ তাহানিৰ দুকুৰি ততোধিক সদস্যৰ বৃহৎ যৌথ পৰিয়ালটোক জ্যেষ্ঠ ভাতৃ হিচাবে বৰ্মনে সঠিক নেতৃত্ব দি সফল পিতৃত্ব আৰু অভিভাৱকৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল । এই যৌথ পৰিয়ালৰ তাহানিৰ দৈৱ্যলতা আৰু পুষ্পলতা যাত্ৰীবাহী বাছ দুখন আছিল বৃহত্তৰ গ্ৰাম্য অঞ্চলৰ যাত্ৰী সকলৰ দুৰ্গম যাতায়তৰ একমাত্ৰ আশ্ৰয় স্বৰূপ।

# চৰাইদেউ সত্ৰ ন্যায়াধীশ আদালতৰ পাঁচটাকৈ গোচৰৰ ৰায়দান

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ৩০ মে' ঃ** চৰাইদেউ জিলা সত্ৰ ন্যায়াধীশৰ আদালতে আজি পাঁচটাকৈ গোচৰৰ ৰায়দানত পাঁচ অভিযুক্তক দোষী সাব্যস্ত কৰি জৰিমনা-সশ্ৰম-যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। চৰাইদেউ সত্ৰ ন্যায়াধীশ আবু চালেহ বদ্ৰুদ্দুজা লস্কৰৰ খণ্ড বিচাৰপীঠে দীঘলীয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আজি চূড়ান্ত ৰায় দিয়ে। আজি ৰায়দান কৰা প্ৰথমটো গোচৰত কৰিম আনচাৰী নামৰ অপৰাধীজনক ছয় মাহ জেল আৰু ১০ হেজাৰ টকা জৰিমনা বিহা হয়। উল্লেখ্য যে চৰাইদেউ জিলাৰ বৰহাট আৰক্ষী থানাৰ অন্তৰ্গত বৰহাট গাঁৱৰ আনচাৰীয়ে বিয়াৰ প্ৰলোভনেৰে প্ৰেমিকাক ধৰ্ষণ কৰি গৰ্ভৱতী কৰিছিল। পাছত সাতমহীয়া গৰ্ভৱতী যুৱতীগৰাকীয়ে বৰহাট আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত ২৩/২০১৫ নম্বৰত এটা গোচৰ ৰুজু হয়। পাছত ভাৰতীয় দণ্ড বিধিৰ ৩৭৬/৪১৭ ধাৰাৰ অধীনত দীঘলীয়া শুনানিৰ অন্তত সত্ৰ ন্যায়াধীশে চূড়ান্ত ৰায় দিয়ে। আনহাতে, টিংকু গোৱালা ওৰফে কমল নামৰ অপৰাধীজনক সোণাৰি আৰক্ষী থানাৰ গোচৰ নম্বৰ ২১৭/২০১৮ত ভাৰতীয় দণ্ড বিধিৰ ৩৭৬ ধাৰাত সুদীৰ্ঘ চাৰি বছৰীয়া শুনানিৰ অন্তত আজি দিয়া ৰায়দানত টিংকু গোৱালাক ২০ বছৰ সশ্ৰম কাৰাদণ্ড দিয়ে। উল্লেখ্য যে টিংকু গোৱালা ওৰফে কমলক শিশু ধৰ্ষণৰ গোচৰত সোণাৰি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ইফালে, চৰাইদেউ জিলাৰ সাপেখাতী আৰক্ষী থানাৰ অন্তৰ্গত মেদেলাজান গাঁৱৰ সুবোধ শইকীয়া নামৰ অভিযুক্তজনক (সাপেখাতী থানা, গোচৰ নম্বৰ ৭৪/২০১৮) গোচৰৰ ভিত্তিত আজি চৰাইদেউ জিলা সত্ৰ ন্যায়াধীশ আদালতৰ বিচাৰ প্ৰক্ৰিয়াত চৰকাৰী আৰু আচামী উভয় পক্ষৰ শুনানিৰ পাছত যাৱজ্জীৱন কাৰাদণ্ড বিহাৰ লগতে ১০ হেজাৰ টকাৰ জৰিমনা বিহে। উল্লেখ্য যে শইকীয়াই ২০১৭ৰ ১৬ জুলাইত পত্নী পম্পী শইকীয়াক দাৰে কাটি নিজ গৃহত হত্যা কৰাৰ অভিযোগত সাপেখাতী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। আনহাতে, মৰাণহাটৰ গোবিন পায়েক নামৰ অপৰাধীজনে ২০১৬ত ককায়েক তৰুণ পায়েকক চোকা অস্ত্ৰৰে হত্যা কৰাৰ অভিযোগত মৰাণহাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত দীৰ্ঘদিন ধৰি বিচাৰ প্ৰক্ৰিয়া চলাৰ অন্তত আজি চৰাইদেউ সত্ৰ ন্যায়াধীশে যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে ১০ হেজাৰ টকাৰ জৰিমনা বিহে। ইফালে, ২০১৪ত ৰঞ্জন কৈৰী নামৰ যুৱকজনে শিৱসাগৰৰ পৰা বাছেৰে আহি থকা অৱস্থাত আৰক্ষীয়ে যুৱকজনৰ পৰা দুটা কেকোঁ সাপ উদ্ধাৰ কৰাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু পাছত দীৰ্ঘদিন ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ চূড়ান্ত ৰায় হিচাপে আজি চৰাইদেউ জিলা সত্ৰ ন্যায়াধীশে ৰঞ্জন কৈৰীক তিনি মাহৰ বাবে জেললৈ প্ৰেৰণ কৰে।

# নগাঁৱৰ হুঁজ কঁহুৱাতলী ৰাইজৰ উদ্যোগত ব'হাগী বিদায় উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩০ মে' ঃ** বিগত বৰ্ষসমূহৰ দৰেই এইবাৰো বৃহত্তৰ হুঁজ কঁহুৱাতলীবাসী ৰাইজৰ সহযোগত উদ্‌যাপন কৰা হয় ব'হাগী বিদায় উৎসৱ। সেই উপলক্ষে হুঁজ কঁহুৱাতলী বৰ নামঘৰ প্ৰাংগণত যোৱা ২৮ মে'ৰ পুৱা পতাকা উত্তোলন কৰে কঁহুৱাতলী ডৌকাচাপৰি সত্ৰৰ সত্ৰাধিকাৰ তুলসী মহন্তই। পাছত আৰম্ভ হয় স্থানীয় কণ কণ শিশুসকলৰ মাজত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা। কণ কণ শিশুসকলৰ মাজত এক লঘু আহাৰ বিতৰণৰ পাছতে দিনৰ ভাগৰ কাৰ্যসূচী সম্পন্ন হয়। সন্ধিয়া কঁহুৱাতলী বৰ নামঘৰ প্ৰাংগণৰ স্থায়ী মঞ্চ উদ্বোধন কৰে হুঁজ ৰঙাগড়া আঞ্চলিক পঞ্চায়তৰ সদস্য ৰজনী ৰাজখোৱাই। তাৰ লগে লগে আমন্ত্ৰিত অতিথিসকলক সম্বৰ্ধনা আৰু কণ কণ শিশুসকলক বঁটা বিতৰণী অনুষ্ঠানৰ পাছতে স্থানীয় কণ কণ শিশুসকলৰ দ্বাৰা বিহুৰ মঞ্চ মুকলি কৰা হয়। অনুষ্ঠানত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে নগাঁৱৰ বিশিষ্ট সমাজসেৱক বিনোদ খেতাৱত, জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা, সাংবাদিক দ্বীপেন শইকীয়া, হুঁজ কঁহুৱাতলী গাঁৱৰ বয়োজ্যেষ্ঠ ব্যক্তি ক্ৰমে সোমনাথ শইকীয়া, কৰুণা শইকীয়া আদিৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল। আমন্ত্ৰিত অতিথিৰ ভাষণত জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাই কয় যে এনেধৰণৰ অনুষ্ঠানে গাঁও অঞ্চলত সামাজিক বান্ধোন আৰু অধিক কটকটীয়া কৰি তোলে। শিশুসকলক সাংস্কৃতিক ক্ষেত্ৰত আগবাঢ়ি যোৱাত বহুখিনি সহায় কৰে এই অনুষ্ঠানসমূহেই। লগতে তেওঁ প্ৰয়াত ঝুমৰমল খেতাৱতৰ কথা উল্লেখ কৰি কয় যে ঝুমৰমল খেতাৱতে কুসংস্কাৰৰ বিৰুদ্ধে যুঁজ দিছিল। তেৰেঁই পোনপ্ৰথমে অসমত বিধৱা বিবাহ প্ৰচলনৰ ক্ষেত্ৰত সমাজত বাৰ্তা বিয়পাই তুলিছিল। তেওঁৰ দৰে এজন মহান ব্যক্তিত্বৰ অধিকাৰী পুৰুষ আজিৰ সমাজত পাবলৈ কঠিন। উল্লেখ্য যে হুঁজ কঁহুৱাতলী গাঁৱৰসমূহ ৰাইজৰ সহযোগত আয়োজিত ব'হাগী বিদায় অনুষ্ঠানত সদৌ অসম ভিত্তিত একক আধুনিক নৃত্য প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰদান কৰে প্ৰয়াত ঝুমৰমল খেতাৱতৰ সোঁৱৰণত তেওঁৰ নাতি বিনোদ খেতাৱতে। দ্বিতীয় পুৰস্কাৰ প্ৰদান কৰে ৰঙাগড়া হুঁজ গাঁও পঞ্চায়তৰ কাউন্সিলৰ ৰজনী ৰাজখোৱাই, তৃতীয় পুৰস্কাৰ প্ৰদান কৰে প্ৰয়াত অৰুণ চন্দ্ৰ শইকীয়া আৰু ৰীণা শইকীয়াৰ সোঁৱৰণত সুৰজ শইকীয়াই। লগতে আঠটা নিচুকনি পুৰস্কাৰ হিচাপে নগদ পাঁচশ টকা আৰু মানপত্ৰ আগবঢ়োৱা হয় বুলি উদ্যোক্তা মণ্ডলীৰ হৈ সভাপতি পংকজ ৰাজখোৱা, সম্পাদকদ্বয় দ্বীপজ্যোতি শইকীয়া, বিজয় বৰাই জানিব দিছে। দিনজোৱা কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানৰ আঁত ধৰে সমিতিৰ কোষাধ্যক্ষ বুবু শইকীয়াই। নিশালৈ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰে ব'হাগী বিদায় অনুষ্ঠানৰ সামৰণি পৰে।

# বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰত চিত্ৰলেখা উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**বগৰীবাৰী, ৩০ মে' ঃ** বিলাসীপাৰাৰ বৌদ্ধিক প্ৰতিষ্ঠান বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰৰ পৰা প্ৰকাশ পাই অহা চিত্ৰলেখাৰ অষ্টাদশ সংখ্যা যোৱা ২৮ মে'ত উন্মোচন কৰা হয়। গ্ৰন্থাগাৰৰ প্ৰেক্ষাগৃহত লোকশিল্পী আব্দুল কৰিম খানৰ সভাপতিত্বত অনুষ্ঠিত এক অনুষ্ঠানত চিত্ৰলেখা উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ ৰোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন বিষয় শিক্ষক হৃদয়ানন্দ দাসে। উন্মোচকৰ ভাষণত তেওঁ কয় যে বিলাসীপাৰাত সাহিত্যৰ বাতাবৰণ সৃষ্টিত চিত্ৰলেখাই প্ৰভূত বৰঙণি যোগাইছে। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি গৱেষক ড° মুজাম্মিল হকে ১২ বছৰ ধৰি চিত্ৰলেখা প্ৰকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি অহা লেখক ড° হৰিচৰণ দাসকে ধৰি সমূহ উদ্যোক্তাৰ শলাগ লয়। আলোচনীখনৰ সম্পাদক অবিনাশ শীলে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সমাজকৰ্মী আজাদ চৰকাৰ, কল্যাণ চক্ৰৱৰ্তী, সাংবাদিক আলাপ হুছেইন আহমেদ, সুভাষ চৌধুৰী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে বক্তৃতা প্ৰদান কৰে। আনহাতে ধনঞ্জয় সিংহ, দীপজ্যোতি চহৰীয়া, মুকুল কুমাৰ নাথ, শুভবিভাস বিশ্বাস, প্ৰমুখ্যে কে'বাগৰাকী কবিয়ে কবিতা পাঠ কৰে।

# বৰুৱাগাঁও নামঘৰত ঐতিহ্য পৰম্পৰা ৰক্ষা কৰি অনুষ্ঠিত হ'ল বৰসবাহ

**খুমটাই, ৩০ মে' ঃ** খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বৰুৱাগাঁৱত কালি এদিনীয়া কাৰ্যসূচীৰে বৰুৱাগাঁও নামঘৰত বৰসবাহ কাৰ্যসূচী অনুষ্ঠিত হয়। পৰম্পৰাগতভাৱে প্ৰতিবছৰে জেঠত অনুষ্ঠিত এই বৰসবাহক কেন্দ্ৰ কৰি অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়। বৃহত্তৰ অঞ্চলটো ধৰ্মপ্ৰাণ ৰাইজে ঐতিহ্য পৰম্পৰা ৰক্ষা কৰা এই বৰসবাহত স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। সবাহ উপলক্ষে নামঘৰত শৰাই নৈবেদ্য আগবঢ়াই অপায়- অমংগল, মাৰিমৰক আদিৰ পৰা যাতে গাঁওখন ৰাইজে ৰক্ষা পৰে তাৰ বাবে ভগৱন্তৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনায়।

# সাগৰিকা গোস্বামীৰ কবিতা পুথি 'কবিতা সুধা' উন্মোচন

**পাটাছাৰকুছি, ৩০ মে' ঃ** কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰীৰ স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী সাগৰিকা গোস্বামীৰ যোৱা ২৬ মে'ত তেওঁৰ প্ৰথমখন অসমীয়া কবিতা পুথি 'কবিতা সুধা' উন্মোচন কৰা হয়। আইএছবিএন যুক্ত চন্দ্ৰ প্ৰকাশৰ দ্বাৰা প্ৰকাশিত সৰ্বোপযোগী পুথিখন উন্মোচন কৰা হয় শংকৰদেৱ শিশু নিকেতন পাটাছাৰকুছিত। গোস্বামীৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হোৱা নিকেতনখনত গ্ৰন্থ উন্মোচক হিচাপে উপস্থিত থাকে শিশু শিক্ষা সমিতি, অসমৰ বঙাইগাঁও বিভাগৰ বিভাগ প্ৰমুখ ভাস্কৰ দাস। মধ্য আৰু নামনি অসমৰ ভালেকেইজন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত উন্মোচিত হোৱা কবিতা পুথিৰ উন্মোচনী সভাৰ আঁত ধৰে পাটাছাৰকুছি নিকেতনৰ প্ৰধান আচাৰ্য্য ভূপেন্দ্ৰ নাথ কলিতাই। গোস্বামীয়ে জানিবলৈ দিয়া মতে পুথিখনত শিশু উপযোগী, শ্ৰদ্ধাঞ্জলি, উৎসৱ সংক্ৰান্তীয়, আবৃত্তিৰ বাবে উপযোগী, প্ৰতিবাদকসূচক আদি বিভিন্ন শিতানত কবিতাবোৰক পৃথকীকৰণ কৰা হৈছে। লগতে গ্ৰন্থখনত এটা বৰ্ণেৰে প্ৰতিটো শব্দ লিখা কবিতাৰ বিশেষ আৰু ব্যতিক্ৰমী শিতান এটা আছে। নৱ লেখক-লেখিকাই পুথিখন পঢ়ি কবিতা লিখিবলৈ আগ্ৰহী হ'ব বুলিও উন্মোচনী সভাত আলোচনা কৰা হয়। পাঠক, আবৃত্তিকাৰসকলে যদি কিতাপখন ৰেহাই মূল্যত ক্ৰয় কৰিব বিচাৰে ৯৯৫৪৩৭৮৮২১ নম্বৰত যোগাযোগ কৰিব পাৰে।

## কলং খননৰ নামত দুবছৰৰ পূৰ্বে হোৱা বনে ধ্বংসৰ বাবে পৰিছে খহনীয়াৰ কবলত

# কলিয়াবৰত কলঙৰ খহনীয়াৰ কবলত শিক্ষানুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৩০ মে' ঃ** কলিয়াবৰত মৃত কলঙৰ খহনীয়াৰ কবলত পৰিছে এখন শিক্ষানুষ্ঠান। মৃত কলং নৈৰ খহনীয়াই বিপদ নমাই আনিছে কলিয়াবৰ জখলাবন্ধাৰ শ্ৰীশ্ৰী ৰমানন্দ দেৱ মধ্য ইংৰাজী বিদ্যালয় নামৰ শিক্ষানুষ্ঠানখনলৈ। আনকি খহনীয়াৰ কবলত পৰি বিদ্যালয়ৰ অস্তিত্বৰ প্ৰতি তীব্ৰ ভাবুকিও নামি আহিছে। উল্লেখ্য যে কলং পুনৰুজ্জীৱিতকৰণৰ খননৰ নামত দুবছৰ পূৰ্বে ইয়াৰ পাৰৰ লগতে গৰাৰ গছ-গছনি কাটি পেলোৱাৰ বাবেই দিনক দিনে বৃদ্ধি পাইছে খহনীয়াৰ প্ৰকোপ। ২০১৭ত বানপানীয়ে বিধ্বস্ত কৰা বিদ্যালয়ৰ দিশলৈ ক্ৰমে বাঢ়ি অহা কলং নৈৰ খহনীয়াত ভীতিগ্ৰস্ত হৈ পৰিছে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, একাংশ লোকে উন্নয়ন আৰু কলং পুনৰুজ্জীৱিতকৰণ খননৰ নামত গছ-গছনি কাটি পেলোৱাৰ ফলতে আজিৰ দিনত শিক্ষানুষ্ঠানখনলৈ এনে অশনি সংকেত আহিছে। খহনীয়া ৰোধেৰে শিক্ষানুষ্ঠানখনৰ ভূমি সুৰক্ষিত কৰিবলৈ জলসম্পদ বিভাগক আবেদন-নিবেদন কৰিও আজি পৰ্যন্ত কোনো সুফল লাভ কৰা নাই শিক্ষানুষ্ঠান কৰ্তৃপক্ষৰ লগতে স্থানীয় জনসাধাৰণে। এতিয়া চৰকাৰৰ ওপৰতে শেষ ভৰসা কৰি ছাত্ৰ-ছাত্ৰীসকলে নিজ শিক্ষানুষ্ঠানখন সুৰক্ষা প্ৰদান কৰিবলৈ প্ৰাৰ্থনা জনাইছে। এতিয়া সকলোৰে মনত এটাই প্ৰশ্ন বিদ্যালয়খনৰ এই সমস্যাসমূহত কেতিয়া পৰিব ৰজাঘৰৰ সুদৃষ্টি? এই প্ৰশ্নৰ উত্তৰৰ অপেক্ষাত ছাত্ৰ-ছাত্ৰী, শিক্ষক- শিক্ষয়িত্ৰীৰ লগতে স্থানীয় জনসাধাৰণ।

# মৌলানা মইনুল হকৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৩০ মে' ঃ** হোজাইৰ দেৱস্থানৰ প্ৰয়াত মেহৰাব আলী গাঁওবুঢ়াৰ তৃতীয় পুত্ৰ মৌলানা মইনুল হকৰ মৃত্যুত শোকৰ ছাঁ পৰিছে। মৌলানা হকে বহু বছৰ লামডিং চহৰত ইমামতিৰ উপৰি বিভিন্ন সামাজিক কামত জড়িত আছিল। লামডিঙত 'জনাব' বুলি পৰিচিত হক হিন্দু-মুছলিম সকলোৰে অতি প্ৰিয় আছিল। কালি বিয়লি কে'বা সহস্ৰাধিক লোকৰ উপস্থিতিত মৌডংগা মাদ্ৰাছা প্ৰাংগণত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। উল্লেখ্য যে লামডিঙৰ পৰা অহা কে'বা শতাধিক হিন্দু সম্প্ৰদায়ৰ লোক শেষকৃত্যত উপস্থিত হৈ আবেগিক হৈ পৰে। তেওঁৰ মৃত্যুত অসম ৰাজ্যিক জমিয়ত উলামাৰ হোজাই জিলা কমিটীৰ সাধাৰণ সম্পাদক মুফতি নুৰ আহমেদ, হোজাই জিলা আমছু, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ হোজাই জিলা কমিটী, নীলবাগান প্ৰেছ ক্লাব, আমছুৰ মনোৱাৰ হুছেইন, কবিৰ আহমেদ লস্কৰ, অধিবক্তা ৰোহিনা ৱাৰিছ, যমুনামুখৰ বিধায়ক ছিৰাজুদ্দিন আজমল, হাম হাস্পতালৰ মাণিক তালুকদাৰ, দেৱস্থান ব্যৱসায়ী সমিতি, লামডিং ব্যৱসায়ী সমিতি, লামডিং কবৰখলা জামে মছজিদ পৰিচালনা সমিতি, মৌডংগা মাদ্ৰাছা কৰ্তৃপক্ষৰ লগতে দেৱস্থানৰ বিভিন্ন ব্যক্তি আৰু স্থানীয় দল-সংগঠনে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু তিনিগৰাকী কন্যাক এৰি যায়।

# দুলীয়াজানত বিদ্যালয়লৈ গৈ থকাৰ পথত ছাত্ৰীক প্ৰহাৰ দুৰ্বৃত্তৰ

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ৩০ মে' ঃ** দুলীয়াজানৰ নিৱাসী কৃষ্ণ প্ৰধানৰ ১০ বছৰীয়া কন্যা তথা ছেইণ্ট জেভিয়াৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীগৰাকীক বিদ্যালয়লৈ গৈ থকা অৱস্থাত আজি পুৱা প্ৰায় ৬-৪৫ বজাত বিদ্যালয়ৰ সমীপত এখন বাহনত মুখত কাপোৰ বান্ধি অহা দুৰ্বৃত্তই অতৰ্কিতে শাৰীৰিকভাৱে প্ৰহাৰ কৰা বুলি অভিযোগ কৰিছে পৰিয়ালৰ লোকে। ঘটনা সংঘটিত হোৱাৰ পাছত ছাত্ৰীগৰাকীয়ে বিদ্যালয়ৰ কৰ্তৃপক্ষক ঘটনাৰ সন্দৰ্ভত অৱগত কৰে। ছাত্ৰীগৰাকীৰ অভিভাৱকৰ অভিযোগৰ ভিত্তিত বিদ্যালয়ৰ কৰ্তৃপক্ষই ঘটনা সন্দৰ্ভত দুলীয়াজান আৰক্ষীক অৱগত কৰে। ঘটনাৰ খবৰ পায়েই আৰক্ষীৰ এটা দল বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়ৰ চি চি টিভি ফুটেজ পৰীক্ষা কৰাৰ লগতে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। ঘটনাৰ সন্দৰ্ভত ছাত্ৰীগৰাকীৰ পিতৃয়ে দুলীয়াজান আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। দুলীয়াজানৰ মাজমজিয়াত এনেদৰে ছাত্ৰ-ছাত্ৰীৰ ওপৰত কৰা আক্ৰমণৰ ঘটনাক সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাই গৰিহণা দিছে। সদৌ ডিব্ৰুগড় জিলা গোৰ্খা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক ৰত্ন থাপাই এক বিবৃতিযোগে ১০ বছৰীয়া ছাত্ৰীগৰাকীৰ ওপৰত আক্ৰমণ চলোৱা দুৰ্বৃত্তৰ দলটোক অনতি পলমে চিনাক্ত কৰাৰ লগতে কৰায়ত্ত কৰি কঠোৰতকৈ কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। লগতে ভৱিষ্যতে এনেধৰণৰ কাণ্ডৰ পুনৰাবৃত্তি নোহোৱাৰ বাবে প্ৰশাসনক চোকা দৃষ্টি ৰখাৰ উপৰি কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ দাবী জনায়।

# নামঘোষা সম্পৰ্কত মনোজ্ঞ আলোচনাচক্ৰ

**অগ্ৰদূত বাৰ্তা**

**দুনী, ৩০ মে' ঃ** শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘ, দৰং জিলা সাহিত্য শাখাৰ উদ্যোগত আৰু শ্ৰীশ্ৰীগোবিন্দ আতা আঞ্চলিক শাখাৰ ব্যৱস্থাপনাত কালি মহাপুৰুষ মাধৱদেৱৰ অমূল্য গ্ৰন্থ নামঘোষা সম্পৰ্কত এক মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উপ-পদাধিকাৰ বসুন্ধৰ ডেকাৰ খটৰাস্থিত বাসগৃহত অনুষ্ঠিত এই আলোচনাচক্ৰখন সঞ্চালনা কৰে জিলা সাহিত্য শাখাৰ সভাপতি বিপিন বৰুৱাই। সম্পাদক হিতেশ বৰুৱা আৰু দিলীপ ডেকাই আঁত ধৰা অনুষ্ঠানখন উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, দৰং জিলা শাখাৰ সভাপতি উপেন্দ্ৰ নাৰায়ণ কুমাৰে। আলোচনাচক্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মুখ্য উপদেষ্টা ভবেন্দ্ৰ নাথ ডেকা, যুটীয়া সম্পাদক ডাঃ দুৰ্লভ পাঠক, সেৱা বাহিনীৰ মুখ্য অধিনায়ক তপন কুমাৰ ৰায়, প্ৰচাৰ শাখাৰ সম্পাদক নবীন চন্দ্ৰ দাস, খটৰা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক গংগা ৰাম বৈশ্যকে ধৰি আন বহু সংখ্যক বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। পাঁচ শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত আলোচনাচক্ৰত নামঘোষা গ্ৰন্থৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা হয়।

# জাগীৰোডত হজযাত্ৰীক সম্বৰ্ধনা আমছুৰ

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ৩০ মে' ঃ** মৰিগাঁও জিলা সংখ্যালঘু ছাত্ৰ ইউনিয়ন আমছুৰ অন্তৰ্গত জাগীৰোড আঞ্চলিক সমিতিৰ উদ্যোগত আজি পাঁচগৰাকী হজযাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। জাগীৰোড আঞ্চলিক আমছুৰ কাৰ্যালয়ত হজযাত্ৰী ক্ৰমে হাৰেজ আলী, নুৰুল আমিন, জয়নুদ্দিন আলী, ফইজুল আলী আৰু ৰমিছা খাতুনক সম্বৰ্ধনা জনোৱা হয়। জাগীৰোড আঞ্চলিক আমছুৰ সভাপতি ৰফিক আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত মৰিগাঁও জিলা আমছুৰ সভাপতি আছাদুল ইছলাম, উপদেষ্টা জেহিৰুল ইছলাম, সাধাৰণ সম্পাদক ৰফিকুল ইছলামে হজযাত্ৰী কেইজনৰ কুশল মংগল কামনা কৰে।

# 'প্ৰয়াস' উন্মোচন

**বৰমা, ৩০ মে' ঃ** বৰমাৰ নিকটৱৰ্তী পুব বৰঝাৰ ছহিদ লোহিত পাঠক চানিৰাম ৰাভা হাইস্কুলত যোৱা ২৮মে'ত বিদ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য বিভাগৰ তত্ত্বাবধায়ক ঘনশ্যাম স্বৰ্গীয়াৰী আৰু নয়নজিৎ বড়োৰ প্ৰচেষ্টাত প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰমেশ শীলে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৰকান্ত বৰ্মনে। অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক দিপুল বৈশ্যই।

# যাদৱসেন ডেকাৰ মৃত্যুত শোক

**গুৱাহাটী, ৩০ মে' ঃ** সু-সাহিত্যিক, বিশিষ্ট নাট্যকাৰ, প্ৰবীণ সাংবাদিক, অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ, প্ৰাক্তন উপ-সভাপতি আৰু নলবাৰী জিলা শাখা পৰিষদৰ সচিব যাদৱসেন ডেকাৰ মৃত্যুত শোক প্ৰকাশ কৰিছে অখিল ভাৰতীয় সাহিত্য পৰিষদে। যোৱা ১৫ বছৰ ধৰি তেওঁ পৰিষদৰ স'তে একাত্ম হৈ আছিল। ২০০৭ৰ পৰা আমৃত্যু পৰ্যন্ত অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমক ইতিবাচক চিন্তাৰে নিজৰ মত প্ৰকাশ কৰি পৰিষদৰ গতিত বিশেষ ভূমিকা লৈ আহিছিল। এক বিবৃতিত পৰিষদৰ প্ৰাক্তন সভাপতি ধীৰেন শৰ্মাই কয় যে তেওঁৰ মৃত্যুত পৰিষদৰ বিশেষ ক্ষতি হ'ল।

# শিমলুগুৰিত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ৩০ মে' ঃ** শিমলুগুৰিৰ ৰেলৰে জংছনৰ কিছু নিলগৰ লাকুৱা কোঁৱৰ গাঁৱৰ টিমক বস্তিৰ ৰেল লাইনৰ কাষত পিন্ধনত এটা হাফপেণ্ট আৰু স্পটিং পৰিধান কৰা এটি অচিনাক্ত মৃতদেহ কালি পুৱা শিমলুগুৰিৰ ৰেল আৰক্ষীয়ে উদ্ধৰে কৰে। কালি ৰাতি ৰেলে মহটিয়াই যোৱাৰ ফলতেই মানুহজনৰ মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে।

# ছয় নম্বৰ ৱাৰ্ডৰ পথৰ নামাকৰণ সন্দৰ্ভত পৌৰসভাৰ জাননী

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ৩০ মে' ঃ** উত্তৰ লখিমপুৰ পৌৰসভাৰ অধীনৰ ছয় নম্বৰ ৱাৰ্ডৰ বীজ ভাণ্ডাৰৰ সমীপৰ পথটো স্বৰ্গীয় ডম্বৰু শইকীয়া পথ নামেৰে নামকৰণ কৰিব বিচৰা হৈছে। উল্লেখ্য যে উক্ত পথটো নামকৰণত কোনো লোকৰ ওজৰ-আপত্তি থাকিলে উত্তৰ লখিমপুৰ পৌৰসভাৰ কাৰ্যালয়ত সাতদিনৰ ভিতৰত দাখিল কৰিবলৈ পৌৰসভা কৰ্তৃপক্ষই আহ্বান জনাইছে।

# গোৱালপাৰাত লক্ষাধিক টকা মূল্যৰ চোৰাং কাঠভৰ্তি বাহন জব্দ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩০ মে' ঃ** গোৱালপাৰা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া চমুকৈ ডি এফ অ' জিতেন্দ্ৰ কুমাৰ সিঙে অভিযান চলাই আজি পুৱতি নিশা নৱাগত শিমলীতোলা বজাৰৰ পৰা এ এছ-০১-চি চি-০৭৫০ নম্বৰৰ চোৰাং কাঠ ভৰ্তি বলেৰ' পিকআপ ভান এখন জব্দ কৰে। জব্দকৃত চোৰাং চেগুন কাঠখিনিৰ বজাৰ মূল্য প্ৰায় লক্ষাধিক টকা হ'ব বুলি বিভাগীয় সূত্ৰে প্ৰকাশ। চোৰাং কাঠৰ বাহনৰ স'তে আটক কৰি অনা লোক এজনক আজি জামিনত মোকলাই দিয়ে। উল্লেখ্য যে ৰংজুলি আঞ্চলিক বন বিভাগৰ অন্তৰ্গত নৱাগত শিমলীতোলাত মুকলিকৈ দিনে-নিশাই চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলি থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। ফলত এফালে চৰকাৰে লাখ লাখ টকা ৰাজহ হেৰুৱাবলগীয়া হোৱাৰ বিপৰীতে আনফালে বন বিভাগৰ লগতে আৰক্ষী প্ৰশাসনে মাহিলি হিচাপে কমিছন সংগ্ৰহ কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# বিহালীৰ বটিয়ামাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰাজুলিত গঁড়ৰ মুক্ত বিচৰণ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩০ মে' ঃ** বিশ্বনাথ জিলাৰ বিহালীৰ বটিয়ামাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰাজুলিত গঁড়ৰ মুক্ত বিচৰণে ৰাইজক আতংকিত কৰিছে। বুধৈ পথাৰত পুৱাই গঁড়টো প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। খাদ্যৰ সন্ধানত কাজিৰঙাৰ পৰা ওলাই আহিছে গঁড়টো। ইয়াৰ উপৰি ৰাংছালী, বিহালী, ৰৌমাৰী আৰু বটিয়ামাৰীকে আদি কৰি এই অঞ্চলসমূহত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বিভিন্ন বনৰীয়া জীৱ-জন্তুসমূহে একপ্ৰকাৰৰ সন্ত্ৰাস চলাই আহিছে। অঞ্চলকেইটাত বনৰীয়া হাতী, বাঘ, গাহৰি আৰু শেহতীয়াকৈ গঁড় মুক্ত বিচৰণত আতংকিত হৈ পৰিছে গঞা ৰাইজ। ৰাইজে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা গঁড়টো বৰ্তমান দাঁতি-কাষৰীয়া অঞ্চলতে অৱস্থান কৰি থকাৰ সন্দেহ প্ৰকাশ কৰিছে। চৰকাৰ, বন বিভাগ তথা প্ৰশাসনক অতি সোনকালেই বনৰীয়া জীৱ-জন্তুৰ এই সমস্যাসমূহ সমাধান কৰিবলৈ আহ্বান জনাইছে স্থানীয় ৰাইজে।

## ফুলনিত আৰএছএছৰ দ্বিতীয় বৰ্ষৰ সংঘ শিক্ষাবৰ্গৰ প্ৰশিক্ষণৰ সামৰণি

# আন্দোলন কৰিলে দুৰ্নীতি নিৰ্মূল নহয় ঃ বুজৰবৰুৱা



**অগ্ৰদূত বাৰ্তা**

**হাওৰাঘাট, ৩০ মে' ঃ** 'কেৱল আন্দোলন কৰিলেই দুৰ্নীতি নিৰ্মূল নহয়, ব্যক্তিৰ সংস্কাৰ হ'লেহে নাইকীয়া হ'ব দুৰ্নীতি-অনিয়ম। হিন্দু কোনো ধৰ্ম নহয়, ই জাতীয়তাবাদৰ চিন। এজন ভাল কাৰ্বি এজন ভাল হিন্দু, এজন ভাল বড়ো এজন ভাল হিন্দু, এজন ভাল মিচিং এজন ভাল হিন্দু। হিন্দু হ'বলৈ কোনেও নিজৰ ভাষা-সংস্কৃতি ত্যাগ কৰিব নালাগে।' এই মন্তব্য আৰ এছ এছৰ অসম ক্ষেত্ৰৰ সহক্ষেত্ৰ পৰিচালক বশিষ্ঠ বুজৰবৰুৱাৰ। কালি কাৰ্বি আংলং জিলাৰ ফুলনিত ৰেংবংহম সেৱাশ্ৰম প্ৰাংগণত অনুষ্ঠিত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ চমুকৈ আৰএছএছৰ দ্বিতীয় বৰ্ষৰ সংঘ শিক্ষাবৰ্গৰ প্ৰশিক্ষণত অংশগ্ৰহণ কৰি তেওঁ এইদৰে কয়। ন মে'ৰ পৰা অনুষ্ঠিত ২০ দিনীয়া প্ৰশিক্ষণ শিবিৰ কালি সামৰণি পৰে। উল্লেখ্য যে শিবিৰত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ মুঠ ১৫৪গৰাকী স্বয়ংসেৱকে প্ৰশিক্ষণ গ্ৰহণ কৰে। সাংবাদিক লংছিং টেৰণে মুখ্য অতিথিৰ আসন অলংকৃত কৰা অনুষ্ঠানত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ দ্বাৰা শ্ৰমশ্ৰী উপাধিপ্ৰাপ্ত চন্দ্ৰছিং ইংতিক সম্বৰ্ধনা জনোৱা হয়। প্ৰশিক্ষাৰ্থীসকলৰ ঘোষ বাদন, যোগ প্ৰদৰ্শন,গীত পৰিৱেশন আদিয়ে সকলোকে আপ্লুত কৰে। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, ডিফু আৰু হাওৰাঘাটৰ বিধায়কদ্বয় ক্ৰমে দৰছিং ৰংহাং, বিদ্যাছিং ইংলেং, বিজেপিৰ সাংগঠনিক সম্পাদক ফণী শৰ্মা প্ৰমুখ্যে স্থানীয় বিশিষ্ট লোকসকল উপস্থিত থাকে।

# খেতিয়কৰ হাহাকাৰ ঃ শ শ বিঘা ধান-মৰাপাট-খেতি ধ্বংস

**কলগাছিয়া, ৩০ মে' ঃ** বৰপেটা জিলাৰ জনীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কলগাছিয়া, জনীয়া, লাংলা, কাদং, বালিকুৰি, কান্দাপাৰা, মেধিৰটাৰী, জনতা, গোবিন্দপুৰকে ধৰি বহু অঞ্চলত ধান, মৰাপাট, মাকৈ, বিভিন্ন ধৰণৰ পাচলি আদিৰ শ শ বিঘা খেতি ধ্বংস হোৱাত মূৰে-কপালে হাত দিবলগীয়া হৈছে খেতিয়কসকলে। উল্লেখ্য যে একেৰাহে এমাহৰো অধিক সময় নেৰানেপেৰা বৰষুণ হৈ থকাৰ ফলত মৰাপাটৰ খেতিত জমা হোৱা পানী এইকেইদিনৰ তীক্ষ্ণ ৰ'দত গৰম হোৱাৰ কাৰণে মৰাপাটসমূহ



পচি গোবৰত পৰিণিত হৈছে। তদ্ৰূপ বহু খেতিয়কৰ ধান পানীত ডুবাৰ কাৰণে ঘৰত চপাব পৰা নাই। ঠিক তেনেদৰেই নেৰানেপেৰা বৰষুণ দিয়াৰ কাৰণে মাকৈ খেতিয়কসকলেও মাকৈ শুকাব নোৱাৰাৰ কাৰণে যথেষ্ট লোকচানৰ সন্মুখীন হৈছে। পাচলি খেতিয়কসকলৰ ক্ষেত্ৰতো একেই অৱস্থা হৈছে। পাচলি খেতিত পানী জমা হোৱাৰ ফলত ধ্বংস হৈছে শ শ বিঘা পাচলিৰ খেতি। অৱশ্যে তাৰ কাৰণে আকাশলংঘী মূল্যবৃদ্ধি হৈছে পাচলিৰ। বন্ধন বেংককে ধৰি বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লৈ খেতিয়কসকলে কৰা খেতি ধ্বংস হোৱাৰ কাৰণে খেতিয়কসকলৰ মাজত হাহাকাৰ পৰিৱেশ বিৰাজ কৰিছে। খেতিয়কসকলে ক্ষতিপূৰণ দিয়াৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে।

# ৰজাবাহৰ পঞ্চায়তত পিএমএৱাইৰ গৃহ উদ্বোধন

**বিশেষ সংবাদদাতা**

**নগাবাদ, ৩০ মে' ঃ** তিতাবৰ মহকুমাৰ ৮৬ নম্বৰ ৰজাবাহৰ সোণোৱাল কছাৰী ৱাৰ্ডত কালি প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহ নিৰ্মাণ কাৰ্যৰ উদ্বোধন কৰে তিতাবৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে ৰজাবাহৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাজেন শইকীয়া, ৱাৰ্ড মেম্বাৰ মুনিন চুতীয়া, ৰজাবাহৰ মণ্ডল কংগ্ৰেছৰ সাধাৰণ সম্পাদক ৰত্ন হাজৰিকা, ইয়ং বিগ্ৰেডৰ সম্পাদক প্ৰণৱ গগৈ, যুৱ কংগ্ৰেছ প্ৰচাৰ সম্পাদক পলাশ হালৈ, যুৱ সমাজকৰ্মী যদুমণি চুতীয়া আদিয়ে। দৰিদ্ৰ লোকসকলক পিএমএৱাইৰ গৃহ প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপৰ লগতে ৰজাবাহৰ গাঁও পঞ্চায়তৰ নিকা প্ৰচেষ্টাক স্থানীয় সচেতন ৰাইজে শলাগ লৈছে।

# যোৰহাট কবি সন্মিলনৰ 'উজ্জীৱন' সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩০ মে' ঃ** যোৰহাট মহানগৰ কবি সন্মিলনৰ মাহেকীয়া কাব্যচৰ্চাৰ অনুষ্ঠান 'উজ্জীৱন' শীৰ্ষক অনুষ্ঠান যোৱা ২৯ মে'ত অনুষ্ঠিত হয়। অনুষ্ঠান প্ৰচাৰ সম্পাদিকা ইন্দিৰা পাৰগগৈৰ সবাইবন্ধা, ৰাজতীয়াস্থিত বাসগৃহত অনুষ্ঠিত কবি সন্মিলনত সভাপতিত্ব কৰে স্থায়ী সভানেত্ৰী আৰেচা বেগমে। সম্পাদিকা ৰীতা বৰদলৈয়ে উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতে সন্মানীয় কবি সন্মিলনৰ উপদেষ্টা বিশিষ্ট কবি, সাহিত্যিক ডিমেশ্বৰী দাস আৰু ৰেণু বৰাই কবিসকলৰ উদ্দেশ্যে বক্তব্য ৰাখে। সভাত নিমন্ত্ৰিত অতিথি সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক বিশিষ্ট কবি পৰাগজ্যোতি মহন্তই কবিতাৰ প্ৰসাৰ আৰু প্ৰতিষ্ঠিত কবি সৃষ্টিৰ প্ৰয়োজনীয়তা আৰু লক্ষ্য কেনেকৈ কৰিব পাৰি এই সম্পৰ্কে বক্তব্য ৰাখে। কবি সন্মিলনৰে কবিতা পাঠেৰে জীপাল কৰি তোলে ক্ৰমে আৰেচা বেগম, বন্দনা সন্দিকৈ, ৰীতাঞ্জলী বৰা দত্ত, জেচমিন বেগম, ৰূপৰেখা বৰুৱা, মফিদা বেগম, ডাঃ মনোমোহন গগৈ, গৌৰৱ গগৈ, ইন্দিৰা পাৰগগৈ, নৱজ্যোতি দত্ত আৰু বহু কে'বাগৰাকী কবিয়ে। একে ঠাইতে প্ৰচাৰ সম্পাদিকা ইন্দিৰা পাৰগগৈৰ জন্ম দিনতো উদ্‌যাপন কৰা হয়।

## দুৰ্ঘটনাত নিহত এজন

**খুমটাই, ৩০ মে' ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বছাপথাৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত পৰহি নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। উল্লেখ্য যে যোৰহাটৰ দিশৰ পৰা চাহপাত কঢ়িয়াই অনা এএছ-০৩বিচি-৬৬৮৯ নম্বৰৰ ট্ৰাকখনৰ স'তে নুমলীগড় দিশৰ পৰা কনষ্ট্ৰাকছনৰ সামগ্ৰী কঢ়িয়াই অনা জিজে-১২-৩৬৬১ নম্বৰৰ ট্ৰাকৰ স'তে মুখামুখি সংঘৰ্ষ হয়। এই সংঘৰ্ষৰ ফলত গুৰুত্বভাৱে আহত হয় ট্ৰাক দুখনৰ চালক দুজন। সংকটজনক অৱস্থাত দুয়োজন চালকক বোকাখাত অসামৰিক চিকিৎসালয়লৈ নিশাই প্ৰেৰণ কৰিছিল যদিও কালি পুৱা এজন চালকৰ চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। মৃত চালকজন চাহপাত কঢ়িয়াই অনা এএছ০৩বিচি-৬৬৮৯ নম্বৰৰ ট্ৰাকখনৰ চালক বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে যদিও বৰ্তমান সময়লৈকে মৃত চালকজনৰ প্ৰকৃত পৰিচয় লাভ কৰা নাই আৰক্ষীয়ে।






### আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ঐতিহাসিক সফলতা লাভ কৰিলে নৱাগত গুজৰাট দলে

# মহাৰথী অবিহনে দলীয় শক্তিৰে চেম্পিয়ন টাইটানছ



**আহমেদাবাদ, ৩০ মে’ ঃ** কৰ’নাৰ কঠোৰ নীতিৰ মাজেৰে ভাৰতত আয়োজিত ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ ১৫ সংখ্যক সংস্কৰণৰ যোৱানিশা সমাপ্তি ঘটিল। তীব্ৰ প্ৰতিদ্বন্দীতা, ব্যাপক উৎকণ্ঠা, ক্ৰীড়াপ্ৰেমীৰ হৰ্ষোল্লাসৰ মাজেৰে সামৰণি পৰা ব্যয়বহুল প্ৰতিযোগিতাখনত সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই শেষ হাঁহি মাৰিলে নৱাগত গুজৰাট টাইটানছে। কোনেও হয়তো কল্পনা কৰা নাছিল ৰথী-মহাৰথীৰে ভৰপূৰ সকলো শক্তিশালী দলকে পিছ পেলাই প্ৰথমবাৰৰ বাবে অভিযেক ঘটোৱা গুজৰাট টাইটানছৰ এই সম্ভাব্য সফলতাৰ কথা। দলটোত নাই বিশ্বৰ কোনো মহাৰথী ক্ৰিকেটাৰ, দলৰ নেতৃত্বৰ দায়িত্বত থকা হাৰ্দিক পাণ্ডিয়া অধিনায়ক হিচাপে তেনেই অনভিজ্ঞ। কিন্তু ঘূৰ্ণীয়া বলৰ ক্ৰিকেটত সকলো সম্ভৱ । লাগে মাথো দলৰ প্ৰতিজন খেলুৱৈৰে জোৰদাৰ অংশগ্ৰহণ আৰু সঠিক ৰণনীতি। গুজৰাটত এই সকলো আছিল। সমগ্ৰ প্ৰতিযোগিতাখনতে দলটোৰ প্ৰতিজন খেলুৱৈয়ে উজাৰি দিলে নিজৰ সকলোখিনি। তাতে দলত আছে গেৰী কাৰ্ষ্টেনৰ দৰে প্ৰশিক্ষক, নেহৰাৰ দৰে সু-কৌশলী অভিজ্ঞ সহ-প্ৰশিক্ষক। এই সকলোকে সাৰথি কৰি হাৰ্দিক পাণ্ডিয়াৰ সবল নেতৃত্বত চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিলে গুজৰাট টাইটানছে। ফাইনেলত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে সাত উইকেটত জয়েৰে অভিষেক চিজনতে চমক সৃষ্টি কৰি যোগ্যভাৱেই বিজয়ী হ’ল টাইটানছ। উল্লেখ্য যে বিশ্বৰ সৰ্ববৃহৎ ক্ৰিকেট ষ্টেডিয়াম আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অভিলেখ সংখ্যক দৰ্শকৰ উপস্থিত অনুষ্ঠিত হোৱা ফাইনেলত পোনতে বেটিং কৰি ৰাজস্থান ৰয়েলছ দলে নিৰ্ধাৰিত ২০ অভাৰত মাত্ৰ ১৩০-৯ ৰাণ কৰে। দলৰ হৈ দুই অপেনাৰ বাটলাৰ (৩৯ৰ আৰু জয়ছোৱালৰ (২২ৰ বাদে বাকী বেটাৰসকলে আত্মসমৰ্পন কৰে। ৰাজস্থান ৰয়েলছৰ এই ব্যৰ্থতাৰ মূলতে হ’ল গুজৰাট টাইটানছ দলৰ অধিনায়ক হাৰ্দিক পান্দিয়াৰ বিধ্বংসী বলিং। ১৭ ৰাণত তিনিটা উইকেট দখল কৰে হাৰ্দিক পান্দিয়াই। আনহাতে, ছাই কিশোৰে ২০ ৰাণত দুটা তথা ৰছিদ খান, মহম্মদ ছামি আৰু ডায়ালে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত গুজৰাট টাইটানছ দলে ১১ টা বল বাকী থাকোতেই ১৮.১ অভাৰত তিনিটা উইকেট হেৰুৱাই ১৩৩ ৰাণ কৰি বিজয়লক্ষ্যত উপনিত হয়। দলে আৰম্ভনিতে দুটা উইকেট হেৰুৱাই বিপদত পৰিছিল যদিও হাৰ্দিকে ৩৪ ৰাণ কৰাৰ বিপৰীতে শুভমন গিলে ৪৫ আৰু ডেভিদ মিলাৰে ৩২ ৰাণ কৰি অপৰাজিত হৈ ৰয়।



## অধিনায়কৰ অভিষেকত খিতাপ ঃ ফাইনেলত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান

### পাঁচ জুনত অসম খো-খো সন্থাৰ সাধাৰণ সভা

## সমাপ্ত হ’ব নে সভাপতি-সম্পাদকৰ ব্যৰ্থতাৰ ২১ বছৰীয়া কাৰ্যকালৰ

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ৩০ মে’ ঃ** অসম খো-খো সন্থাৰ বহু প্ৰত্যাশিত সাধাৰণ সভাখন অহা পাঁচ জুনত গুৱাহাটীত দিনৰ ১০-৩০ বজাত অনুষ্ঠিত হ’ব। উল্লেখ্য যে ২০০১ ত তামোলপুৰত হোৱা সন্থাৰ সাধাৰণ সভাত গুৱাহাটীৰ ৰাজীৱ প্ৰকাশ বৰুৱাক সভাপতি আৰু সোণাপুৰৰ আফতাব হুছেইনক সাধাৰণ সম্পাদক হিচাপে লৈ এখন নতুন সমিতি গঠন কৰা হৈছিল। তাৰ পাছত আৰু দুবাৰ সাধাৰণ সভা অনুষ্ঠিত হৈছিল যদিও সভাপতি আৰু সাধাৰণ সম্পাদকৰ পদত সুদীৰ্ঘ ২১ বছৰ ধৰি এই দুগৰাকী ব্যক্তিয়েই অধিষ্ঠিত হৈ থাকিল। এওঁলোকৰ ২১ বছৰীয়া কাৰ্যকালত অসমত খো-খো খেলৰ বিশেষ উত্তৰণ হোৱা দেখা নগ’ল। অসমৰ ছাব-জুনিয়ৰ, জুনিয়ৰ ল’ৰা-ছোৱালী, ছিনিয়ৰ পুৰুষ-মহিলা দলে সৰ্বভাৰতীয় পৰ্যায়ত উল্লেখনীয় প্ৰদৰ্শন কৰাত ধাৰাবাহিকভাৱে ব্যৰ্থ হয়। উল্লেখ্য যে, ৰাজ্যখনত খো-খো খেলৰ আন্তঃগাঠনি একেবাৰে দুখলগা ধৰণৰ। উন্নত প্ৰশিক্ষণৰো অভাৱ দেখা গৈছে। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহনৰ প্ৰাকমুহূৰ্তত মাত্ৰ তিনি-চাৰিদিন অনুশীলন কৰিয়েই দল প্ৰেৰণ কৰাটো নিয়মত পৰিনত হৈ আহিছে। যাৰ ফলত খেলুৱৈয়ে উন্নত ফলাফল দেখুৱাত অপাৰগ হৈছে। আনহাতে, অন্যান্য ৰাজ্যৰ তুলনাত অসমত প্ৰতিযোগিতাৰ সংখ্যা যথেষ্ট কম। আন্তঃজিলা পৰ্যায়ৰ খেল অনুষ্ঠিত হয় যদিও সেয়াও নিয়মিত নহয়। আন ৰাজ্যৰ দৰে সঘনাই বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ কথা অসম খো-খো সন্থাই ভাবিবই নোৱাৰে। কেৱল সৰ্বভাৰতীয় পৰ্যায়ত অসমৰ পঞ্জীয়ন বৰ্তাই ৰাখিবলৈহে যেন দলসমূহ প্ৰেৰণ কৰি থকা হৈছে বুলি খো-খো খেলত জড়িত হৈ থকা সচেতন ক্ৰীড়াপ্ৰেমীয়ে মন্তব্য কৰিছে। ইফালে, এইবাৰ সাধাৰণ সভাত সভাপতি-সাধাৰণ সম্পাদকৰ ২১ বছৰীয়া কাৰ্যকালৰ অৱসান ঘটিব বুলি এইসকল খো-খো সংগঠকে অনুমান কৰিছে। খো-খো ফেডাৰেচন অৱ ইণ্ডিয়াৰ সভাপতি তথা সাধাৰণ সম্পাদকে ইমান দীঘলীয়া সময় একেৰাহে একেটা দায়িত্বত অধিষ্ঠিত হৈ থকাৰ নজিৰ নাই। এই কাৰ্য সম্পূৰ্ণ ভাবে নীতি বহিৰ্ভূত আৰু সংবিধান বিৰোধী বুলি চৰ্চিত হৈছে। অহা পাঁচ জুনত হ’বলগা সাধাৰণ সভাত কোন হ’ব নতুন সভাপতি আৰু সাধাৰণ সম্পাদক তাক লৈও এতিয়া গুণাগথা চলিছে।

## নুৰুদ্দিন ট্ৰফী ক্ৰিকেটৰ ফাইনেল শিলচৰৰ বিৰুদ্ধে ১২২ ত প্ৰথম ইনিংছ সামৰিলে বিশ্বনাথে

**গুৱাহাটী, ৩০ মে’ ঃ** আজিৰে পৰা এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হৈছে চলিত ছিজনৰ নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন। উল্লেখ্য যে এইবাৰ ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপৰ যুঁজত শিলচৰ মুখামুখি হৈছে বিশ্বনাথ চাৰিআলিৰ। চাৰিদিনীয়া মেচখনৰ প্ৰথমদিনা পোনতে বেটিং কৰা বিশ্বনাথে ১২২ ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত, শিলচৰে প্ৰথম ইনিংছত তিনি উইকেটত ৫৭ ৰাণ কৰাত বৰষুণৰ বাবে মেচ বন্ধ হয়।



## টাইটানছক আই পি এলৰ চেম্পিয়ন কৰাই গৌৰৱময় অভিলেখৰ গৰাকী হ’ল

**আহমেদাবাদ, ৩০ মে’ ঃ** চলিত বৰ্ষৰ আই পি এলৰ খিতাপ জয়ৰ লগে লগে গুজৰাট টাইটানছৰ অধিনায়ক হাৰ্দিক পাণ্ডিয়াই স্থাপন কৰিছে কেইবাটাও বিশেষ অভিলেখ। ফাইনেলত সন্মুখৰ পৰা নেতৃত্ব দি অলৰাউণ্ড প্ৰদৰ্শনেৰে জয়ৰ ভেঁটি গঢ়ি তোলা পাণ্ডিয়াই লাভ কৰে ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান। উল্লেখ্য যে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হোৱা মেচখনত প্ৰথমে বেটিং কৰা ৰাজস্থান ৰয়েলছৰ বিপৰ্যয়ৰ কাৰণ হৈ পৰিছিল হাৰ্দিক পাণ্ডিয়া। শেহতীয়া আঘাতৰ পিছত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত দীৰ্ঘদিন ধৰি বলিং কৰাৰ পৰা আঁতৰি আছিল পাণ্ডিয়া। কিন্তু এইবাৰ আই পি এলত পাণ্ডিয়াই দলৰ মূল বলাৰ সকলক সহযোগ কৰি বলিং বিভাগক যথেষ্ট শক্তিশালী কৰি তোলে। ফাইনেলত পাণ্ডিয়াই নিজৰ চাৰি অভাৰৰ স্পেলত মাত্ৰ ১৭ ৰান খৰচ কৰি দখল কৰে তিনিটা উইকেট। উল্লেখ্য যে আই পি এল কেৰিয়াৰত পাণ্ডিয়াৰ এয়া সৰ্বশ্ৰেষ্ঠ বলিং প্ৰদৰ্শন। ইয়াৰ পিছতে বেটিঙতো দলৰ প্ৰাথমিক বিপৰ্যয়ৰ পিছত ক্ৰীজলৈ অহা পাণ্ডিয়াই ৩৪ ৰানৰ এটা ধৈৰ্যশীল আৰু গুৰুত্বপূৰ্ণ ইনিংছ খেলে। এই অলৰাউণ্ড প্ৰদৰ্শনৰ সুবাদত পাণ্ডিয়াই মেচৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। ইফালে, এই সফলতাৰ বাবে হাৰ্দিক পাণ্ডিয়াই আই পি এলৰ ইতিহাসত অনিল কুম্বলে আৰু ৰোহিত শৰ্মাৰ পিছতে ফাইনেলত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰা তৃতীয়গৰাকী অধিনায়কৰূপে পৰিণত হয়। উল্লেখ্য যে কুম্বলেই ২০০৯ ৰ আই পি এলৰ ফাইনেলত ডেক্কান চাৰ্জাৰ্ছৰ বিৰুদ্ধে আৰ চি বিৰ হৈ ১৬ ৰাণত চাৰিটা উইকেট লাভ কৰিছিল। অৱশ্যে খেলখনত আৰ চি বি পৰাস্ত হয় যদিও ব্যক্তিগত প্ৰদৰ্শনৰ বাবে কুম্বলে শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয়। আনহাতে, ৰোহিত শৰ্মাই ২০১৫ ৰ ফাইনেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ হৈ ২৬ বলত ৫০ ৰানৰ বিজয়ী ইনিংছটোৰ বাবে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছিল। ইফালে, গুজৰাট দলৰ জয়ৰ লগে লগে হাৰ্দিক পাণ্ডিয়া আই পি এলৰ খিতাপ জয়ী অধিনায়ক হিচাপে চতুৰ্থ গৰাকী ভাৰতীয় হোৱাৰ গৌৰৱ লাভ কৰিছে। ইয়াৰ পূৰ্বে মহেন্দ্ৰ সিং ধোনী, ৰোহিত আৰু গৌতম গম্ভীৰে এই সফলতা অৰ্জন কৰিছিল ক্ৰমে চেন্নাই, মুম্বাই আৰু কলকাতাৰ হৈ। আনহাতে অধিনায়ক হিচাপে অভিষেক বৰ্ষতে আই পি এল খিতাপ জয় কৰা তৃতীয় গৰাকী অধিনায়কতো পৰিগণিত হয় পাণ্ডিয়া। পাণ্ডিয়াৰ পূৰ্বে ২০০৮ ত ৰাজস্থানৰ হৈ প্ৰয়াত শ্বেন ৱাৰ্ণে প্ৰথমবাৰৰ বাবে এই কৃতিত্ব অৰ্জন কৰিছিল। আনহাতে ৰোহিতে ২০১৩ ত মুম্বাই ইণ্ডিয়ানছৰ হৈ এই সফলতা অৰ্জন কৰিছিল।



## কাবাডীৰ প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা, নলবাৰী, ৩০ মে’ ঃ** নলবাৰী জিলাৰ দক্ষিণ পকোৱা অঞ্চলত অৱস্থিত নৱোদয় বালিকা বিদ্যালয়, কুমাৰীকাটাৰ উদ্যোগত আৰু নলবাৰী জিলা কাবাডী হেণ্ডবল সন্থাৰ সহযোগত আদিৰে পৰা ৩০ দিনীয়া কাবাডী প্ৰশিক্ষণ শিবিৰৰ আৰম্ভণি কৰা হয়। উক্ত শিবিৰটোৰ মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে সদৌ অসম কাবাডী সন্থাৰ ৰেফৰী অৰবিন্দ ৰাজবংশী,আৰু সহকাৰী হিচাপে উপস্থিত থাকে জিলা কাবাডী দলৰ অধিনায়ক জুবিন ডেকা আৰু সহ:অধিনায়ক অনুপম ডেকা। নৱোদয় বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক অঞ্জন ৰয় চৌধুৰীৰ উপস্থিতিত বিদ্যালয় চৌহদত আজি ৰাতিপুৱা এই শিৱিৰৰ শুভাৰম্ভ কৰা হয়।

## টীম ইণ্ডিয়াক টি-২০ বিশ্বকাপক দিয়াৰ লক্ষ্য হাৰ্দিকৰ



**আহমেদাবাদ, ৩০ মে’ ঃ** আই পি এলৰ খিতাপ জয়ৰ সফলতাৰ পাছত এইবাৰ টীম ইণ্ডিয়াৰ সদস্য হাৰ্দিক পাণ্ডিয়াৰ লক্ষ্য চলিত বৰ্ষতে অষ্ট্ৰেলিয়াত হ’বলগা আই চি চি টি-২০ বিশ্বকাপত ভাৰতীয় দলক চেম্পিয়ন কৰোৱা। উল্লেখ্য যে আঘাতৰ সমস্যাৰ লগতে ফৰ্মহীনতাৰ বাবে হাৰ্দিক দীৰ্ঘদিন ধৰি ভাৰতীয় ক্ৰিকেট দলৰ পৰা বাহিৰত আছিল। ইয়াৰ বাবে ক্ৰিকেট বিশেষজ্ঞসকলৰ পৰা সমালোচিতও হৈছিল পাণ্ডিয়া। কিন্তু এই সমালোচনাৰ যোগ্য প্ৰত্যুত্তৰ দি পাণ্ডিয়াই এইবাৰৰ আই পি এলত ৪৮৭ ৰান সংগ্ৰহ কৰাৰ লগতে আঠটাকৈ উইকেট দখল কৰে। পিঠিৰ আঘাতৰ বাবে আন্ত:ৰাষ্ট্ৰীয় ক্ৰিকেটত বলিঙৰ পৰা আঁতৰি থকা পাণ্ডিয়াই আই পি এলত ধাৰাবাহিকভাৱে ১৪০ কিলোমিটাৰ বেগত বলিং কৰি ইতিমধ্যে নিজকে ফিট হিচাপে ঘোষণা কৰিছে। স্বাভাৱিকতে পাণ্ডিয়াই ফৰ্ম ঘূৰাই পোৱাটো ভাৰতীয় ক্ৰিকেটৰ বাবেও শুভ লক্ষন। পাণ্ডিয়া সম্প্ৰতি ভাৰতীয় ক্ৰিকেট দলৰৰ শ্ৰেষ্ঠ অলৰাউণ্ডাৰ হিচাপে বিবেচিত। উল্লেখ্য চলিত বৰ্ষতে অনুষ্ঠিত হ’ব আইচিচি টি-২০ বিশ্বকাপ। পাণ্ডিয়াৰ এই ফৰ্ম অক্ষুণ্ণ থাকিলে নিশ্চিতভাৱে উপকৃত হ’ব ভাৰতীয় দল। ইতিমধ্যে আই পি এল খিতাপ জয়ৰ পিছতে পাণ্ডিয়াই যিকোনো মূল্যৰ বিনিময়ত বিশ্বকাপ জয় কৰিব বিচাৰোঁ বুলি হুংকাৰ দিছে। ভাৰতীয় ক্ৰিকেট অনুৰাগীৰ বাবে ইয়াতকৈ ইতিবাচক তথা আশাৰ বিষয় আন কোনোই হ’ব নোৱাৰে।

## যোৰহাট আন্তঃবিদ্যালয় ফুটবল

**যোৰহাট, ৩০ মে’ ঃ** যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ খিতাপৰ যুজত আৰ্মি পাব্লিক স্কুল আৰু ডনবস্ক’ হাইস্কুল বাঘচোঙৰ দল মুখামুখি হ’ব। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ডনবস্ক হাইস্কুল বাঘচোং দলে বৰভেটা হাইস্কুলক ৪-০ গলত পৰাভূত কৰি ফাইনেলত উপনীত হৈছে। ডনবস্কৰ হৈ বিভান দত্তই হেট্ৰিক কৰিবলৈ সক্ষম হয়। আনটো গল দিয়ে আনিচ শইকীয়াই। উক্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হোৱা বিভান দত্তক বঁটা প্ৰদান কৰে সাংবাদিক দিগন্ত বুঢ়াগোহাঁইয়ে। ৰাজীৱ শইকীয়াই পৰিচালনা কৰা খেলখনিত লাইনত সহায় কৰে অনন্ত বৰা আৰু কুশল মিলিয়ে। আনহাতে দ্বিতীয়খন খেলত আৰ্মি পাব্লিক স্কুলে বিগত বৰ্ষৰ চেম্পিয়ন খিতাপ অৰ্জন কৰা চিনামৰা হাইস্কুলক ৩-০ গলত পৰাভূত কৰি ফাইনেলত উপনীত হয়। উক্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হোৱা আৰ্মি পাব্লিক স্কুলৰ বাস্তৱ বড়াক বঁটা প্ৰদান কৰে বিকাশ দত্তই। সুমন্ত দত্তই পৰিচালনা কৰা খেলখনিত লাইনত সহায় কৰে অনিল শইকীয়া আৰু ৰঞ্জিত দত্তই। অহা আঠ জুনত চূড়ান্ত খেলখন অনুষ্ঠিত হ’ব।

### ফ্ৰেন্স অপেনৰ কোৱাৰ্টাৰত

## আজি নাডাল বনাম ডক’ভিচ

**পেৰিছ, ৩০ মে’ ঃ** বিশ্বৰ ক্ৰীড়াপ্ৰেমীয়ে আকৌ এবাৰ সুযোগ লাভ কৰিছে বিশ্ব টেনিছৰ দুই মহাৰথী ৰাফেল নাডাল আৰু ন’ভাক ডক’ভিচৰ দৃষ্টিনন্দন আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ৰুচিসম্পন্ন খেল উপভোগ কৰাৰ। উল্লেখ্য যে চলিত ফ্ৰেন্স অপেনৰ কোৱাৰ্টাৰ ফাইনেলত কাইলৈ মুখামুখি টেনিছ ইতিহাসৰ দুই কিংবদন্তী। চতুৰ্থ ৰাউণ্ডৰ এখন মেচত ক্লে’ কোৰ্টৰ বাদশ্বাহ ৰাফেল নাডালে পাঁচটা ছেটৰ এক ধ্ৰুপদী মেচৰ অন্তত কানাডাৰ ফেলিক্স অগাৰ-এলিয়াচিমক ৩-৬, ৬-৩, ৬-২, ৩-৬, ৬-৩ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰত প্ৰৱেশ কৰে। উল্লেখ্য যে ৰোঁলা গেৰোঁৰ ইতিহাসত আটাইটতকৈ সফল টেনিছ তাৰকা হিচাপে পৰিচিত ১৩ বাৰৰ চেম্পিয়ন নাডালে ফেলিক্সক পৰাস্ত কৰিবলৈ চাৰি ঘণ্টা ২১ মিনিট ধৰি যুঁজত অৱতীৰ্ণ হ’বলগীয়া হয়। উল্লেখ্য যে কেৰিয়াৰৰ ১৭ সংখ্যক ফেন্স অপেন টুৰ্ণামেণ্টত অৱতীৰ্ণ হোৱা নাডালে প্ৰতিযোগিতাখনত এতিয়ালৈকে ১১১ খন খেলত ভাগ লৈছে আৰু কেৱল তৃতীয়বাৰৰ বাবে এইদৰে বিপক্ষৰ বিৰুদ্ধে এখন মেচত পাঁচটাকৈ ছেট খেলিবলগীয়া হৈছে। ইফালে, বিশ্বৰ শীৰ্ষ স্থানৰ খেলুৱৈ তথা ডিফেণ্ডিং চেম্পিয়ন ন’ভাক ডক’ভিচে আন এখন মেচত আৰ্জেণ্টিনাৰ ডিয়েগো শ্বৰাৰ্টজমেনৰ বিৰুদ্ধে ৬-১, ৬-৩, ৬-৩ ব্যৱধানত জয়েৰে অন্তিম আঠত স্থান নিশ্চিত কৰে। উল্লেখ্য যে ডক’ভিচ এই পৰ্যন্ত চলিত ৰোঁলা গেৰোঁ টুৰ্ণামেণ্টত এটাও ছেটত পৰাস্ত হোৱা নাই। তদুপৰি চলিত মাহৰ আৰম্ভণিতে ইটালিয়ান অপেন জয়ৰ পিছত ডক’ভিচে ধাৰাবাহিকভাৱে ২২ টা ছেটত অপৰাজেয় হৈ আছে। উল্লেখ্য যে নাডাল আৰু ডক’ভিচে কেৰিয়াৰত ৫৯ সংখ্যক বাৰৰ বাবে পৰস্পৰ সন্মুখীন হ’ব। নাডালে ২৮ বাৰ জয়ৰ মুখ দেখাৰ বিপৰীতে ডক’ভিচ জয়ী হৈছে ৩০ খন মেচত। আনহাতে ৰোঁলা গেৰোঁত দুয়োগৰাকী তাৰকা দশমবাৰৰ বাবে প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হ’ব।





ইয়াৰ পূৰ্বৰ ন বাৰৰ মুখামুখিত নাডালে সাত বাৰ জয় সাব্যস্ত কৰাৰ বিপৰীতে জক’ভিচে দুবাৰ জয়ী হ’বলৈ সক্ষম হৈছে। বিগত ফ্ৰেন্স অপেনত দুয়োগৰাকী তাৰকা ছেমিফাইনেলত মিলিত হৈছিল। নাডালক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰা ডক’ভিচে সেইবাৰ দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অপেন খিতাপ জয় কৰিছিল। কেৰিয়াৰত অভিলেখ সংখ্যক ২১ বাৰৰ গ্ৰেণ্ডশ্লেম বিজয়ী নাডালে টেনিছ ইতিহাসত সৰ্বাধিক গ্ৰেণ্ডশ্লেম খিতাপ জয়ী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে। আনহাতে, এই তালিকা নাডালৰ পিছতে যুটীয়াভাৱে দ্বিতীয় স্থানত আছে ডক’ভিচ। ছাৰ্বিয়ান তাৰকাগৰাকীয়ে এই পৰ্যন্ত ২০ টা গ্ৰেণ্ডশ্লেম খিতাপ জয় কৰিছে। আন এজন টেনিছ কিংবদন্তি ছুইজাৰলেণ্ডৰ মহাতাৰকা ৰ’জাৰ ফেডাৰাৰৰ নামতো আছে ২০ টা গ্ৰেণ্ডশ্লেম খিতাপ জয়ৰ ৰেকৰ্ড।

## এছিয়া হকীত আজি ভাৰতৰ সন্মুখত দক্ষিণ কোৰিয়া

**জাকাৰ্টা, ৩০ মে’ ঃ** ভাৰতে চলিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰাৰ দিশে আগবাঢ়িছে যদিও কাইলৈ দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব লগা মেচখন দলৰ বাবে গুৰুত্বপূৰ্ণ হৈছে খিতাপৰ যুঁজত স্থান নিশ্চিতৰ বাবে। উল্লেখ্য যে ভাৰতে ছুপাৰ ৪ ৰ দ্বিতীয়খন ভাৰতে ৩-৩ গ’লত ড্ৰ’ খেলে মালয়েছিয়াৰ বিৰুদ্ধে। মেচখনত ৰাজি ৰহিমে মালয়েছিয়াৰ হৈ ভ্ল১২, ২১, ৫৬ৰ তিনিটা পেনাল্টি কৰ্ণাৰ ৰূপান্তৰিত কৰি হেট্ৰিক কৰাৰ বিপৰীতে ভাৰতৰ হৈ বিষ্ণুকান্ত সিং ছভ্ল৩২ৰ, এছ ভি সুনীল ছভ্ল৫৩ৰগ্ন আৰু নীলাম সঞ্জীপে (৫৫ৰ জৰিয়তে গ’ল দিয়ে। ইয়াৰপূৰ্বে ছুপাৰ ৪ ৰ প্ৰথমখন খেলত ভাৰতে জাপানক ২-১ গ’লত পৰাস্ত কৰিছিল। ভাৰতৰ এই বিজয়ত তাৰকা হিচাপে পৰিগণিত হয় মনজিত সিং আৰু পৱন ৰাজভৰ। প্ৰথম কোৱাৰ্টাৰৰ সাত মিনিটত ভাৰতৰ হৈ মনজিতে এটা গ’ল দিয়ে যদিও দ্বিতীয় কোৱাৰ্টাৰত জাপানৰ তাকুমা নিৱাই সমতা স্থাপন কৰে আৰু হাফ টাইমত স্ক’ৰ ১-১ হয়। তৃতীয় কোৱাৰ্টাৰত পৱন ৰাজভাৰৰ গ’লৰ জৰিয়তে ভাৰতে প্ৰত্যাৱৰ্তন ঘটায়, আৰু



আত্মবিশ্বাস বৃদ্ধি পায়। ইফালে, কোৰিয়াই পৰাস্ত কৰিছে জাপান আৰু মালয়েছিয়াক। জাপানৰ বিদায় নিশ্চিত হৈছে যদিও ফাইনেলৰ অংকৰ খেলত আছে ভাৰত, কোৰিয়া আৰু মালয়েছিয়া। কাইলৈ জাপানে খেলিব মানয়েছিয়াৰ বিৰুদ্ধে। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ প্ৰথমখন মেচত পাকিস্তানেৰে ড্ৰ খেলাৰ পিছত দ্বিতীয়খন মেচত ২-৫ গ’লৰ ব্যৱধানত জাপানৰ বিৰুদ্ধে পৰাস্ত হৈছিল ভাৰতীয় পুৰুষ দলটো। এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় পুৰুষ হকী দলে ইণ্ডোনেছিয়াৰ বিৰুদ্ধে ১৬-০ গ’লত জয়ী হৈ চমক সৃষ্টিৰে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল।

## প্ৰাইজমানি ভলীবল সমাপ্ত

**অগ্ৰদূত বাৰ্তা, শালবাৰী, ৩০ মে’ ঃ** বাগসাৰ শালবাৰীৰ ভাংগাৰপাৰ খেলপথাৰ প্ৰাংগনত পঞ্চম বাৰ্ষিক দিবা-নৈশ প্ৰাইজমানি ভলীবলত কৰ্দৈগুৰি ভলীবল দলে চেম্পিয়ন হয়। খেলখনৰ উদ্বোধন কৰে শালবাৰী মহকুমাৰ সহকাৰী আয়ুক্ত অনুস্মিতা দত্তই। মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাজেশ কুমাৰ জালান, মামুদ শ্বাহ ছেকান্দৰ আৰু আৰক্ষী বিষয়া জয়ন্ত



কুমাৰ দাস আদি ।সৰ্বমুঠ ১২ টা দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। বিজয়ী দল কৰ্দৈগুৰিয়ে দহ হাজাৰ টকাৰ লগতে ট্ৰফি লাভ কৰে। ইফালে, সাত হাজাৰ টকা আৰু ট্ৰফি লাভ কৰিবলৈ সক্ষম হয় ৰানাৰ্ছ আপ বাঁহবাৰী ৰেঞ্জ অফিচৰ দলে ।শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে অসীম ৰয়ে।

## বিল্যসনন্দন চ'ৰা




# মহামিলনৰ ভোজমেল

**অপ'জিছনবোৰ** আজিকালি মহাসংকটত পৰিছে। বেলেগ সংকটত নহয়। কৰিবলৈ হাতত কাম নাই। নিয়ম মতে অপ'জিছনৰ কাম হ'ল অপ'জ কৰা; কিন্তু অপ'জ কৰিবলৈও ভয় হৈছে। যিয়ে বৰ বেছিকৈ অপ'জ কৰিবলৈ যায়, দুদিনমান পাছতে তাক প্ৰপ'জ কৰি দিয়েই নহয়— হয় ৰজাঘৰ নহয় ৰঙাঘৰ। অপ'জ কৰাটোৱে এই প্ৰপ'জ শুনি নিৰুপায় হৈ গেৰুৱা হৈ কেমেৰাৰ আগত প'জ দিবলৈ আৰম্ভ কৰি দিয়ে। অপ'জ কৰিলেই যিহেতু কেমেৰাৰ আগত গেৰুৱা হোৱাৰ প'জ দিব লগা হয়েই, গতিকে অপ'জ নকৰাই ভাল। এনেকৈ অপ'জ কৰাবোৰে গেৰুৱা হৈ গৈ থাকিলে অপ'জিছনৰ প্ৰপ'জিছনটো নষ্ট হৈ যায় নহয়। সেই কাৰণে আজিকালি অপ'জিছনে এটা পজিছনেই লৈ থাকে, সেয়া হ'ল একো নকৰাৰ পজিছন। কিন্তু একো নকৰাকৈতো কোনেও বৰ বেছিদিনলৈ থাকিব নোৱাৰে। কি কৰো কি কৰো বুলি ভাবি থাকোতেই যদি বেলেগ একো কাম বিচাৰি নাপায়, লগালগ লাগি যায় মহাজোঁট বনাবলৈ। 'ক' দলে ফোন কৰে 'খ' দলক, 'খ' দলে ফোন কৰে 'গ' দলক, 'গ' দলে ফোন কৰে 'ঘ' দলক। আটাইৰে এটাই কথা— আমি লগ লাগিব বুজিছা। একলগ হ'ব লাগিব। একলগ হ'লে আমাক কোনেও একো কৰিব নোৱাৰে। আমাৰ এই মহাজোঁট কেৱল জোঁট হৈ থাকিলে নহ'ব। মহামিলন হ'ব লাগিব।




কথা মতে কাম। দিন-বাৰ ঠিক কৰা হ'ল— ভোজমেল হ'ব। ভোজমেলত 'ক', 'খ', 'গ', 'ঘ' আটাইবোৰেই মিলিত হ'ব। সময় দিয়া হ'ল নিশা আঠ বজা। প্ৰথম দলটো আহিল ন বজাত। পাছৰটো আহিল ১০-১৫ বজাত। এনেকৈ এটা এটাকৈ দল আহি লগ খাওঁতে নিশা ১১ বাজিল। বহু ৰাতি হ'ল। ভোজমেলৰ মেল আৰম্ভ কৰাৰ আগেয়ে ভোজনৰ অৰ্ডাৰটো দি থোৱাই ভাল হ'ব। দুজনমানৰ গেষ্ট্ৰিক আছে, দুজনমানৰ ছুগাৰ আছে। ভোজনৰ সময়টো ঠিকে নাথাকিলে প্ৰব্লেম কৰে। 'ক'ই ক'লে নন্-ভেজ খাব। 'খ'ই ক'লে নন্-ভেজেই খাব, কিন্তু ভাতৰ সলনি ৰুটি খাব। 'গ'ই ক'লে— মাছ নহয়, চিকেন খাব। 'ঘ'ই ক'লে— মাছ-চিকেন একো নাখায়, মাটন লাগিব। আটাইৰে অৰ্ডাৰ বেলেগ বেলেগ। 'ঘ'ই ব্যাখ্যা আগবঢ়ালে কিয় মাছ-চিকেন একো নাখাই কেৱল মাটন খায়! কাৰণ এনাৰ্জী মাটনৰ পৰাহে আহে। এই যুক্তি খণ্ডন কৰি 'গ'ই ক'লে যে বাহিৰৰ দেছবোৰত চিকেনেই চলে। এনাৰ্জী নাপালে এনেয়ে চিকেন খালেহেঁতেন নেকি? 'খ'ই মাছ-চিকেনৰ বিতৰ্কক এৰাই চলি ব্যাখ্যা দিলে যে বাদ দিব লাগে যদি ভাত বাদ দিব লাগে। ভাতে এলাহ বঢ়ায়, কিন্তু ৰুটিয়ে ব'ডিত তাকৎ আনি দিয়ে। 'ক'ই সেই যুক্তিকো খণ্ডন কৰি ক'লে যে তেনে কোনো কথা নাই। যি খোৱা যায়, মনোযোগেৰে খাব লাগে। মন দি খালে সব খাদ্যৰ পৰাই এনাৰ্জী আহে।

এই কথা-বাৰ্তাবোৰ শেষ নহওঁতেই ভোজমেলৰ ভোজনৰ আইটেমবোৰ আহি টেবুল পালে। আটায়ে সব কাম এৰি খোৱাত লাগি গ'ল। দুটুকুৰামান মাটন মুখত দিয়ে 'ঘ'ই চিঞৰি উঠিল, 'এইবোৰ কি হৈছে? মাংস সিজাই নাই দেখোন।' 'ঘ'ই চিধাই 'গ'লৈ আঙুলি টোঁৱালে — 'আপুনি নাখায় কাৰণে মাটনখিনি ভালকৈ সিজিব নিদিলে নহয়!' 'গ'য়ো ফেপেৰি পাতি ধৰিলে— 'কি কথা কয়হে? মোৰ চিকেন-কাৰীত নিমখ হোৱা নাই। বেছি জ্বলা হৈছে। সেইবোৰ তাৰমানে আপোনাৰ চক্ৰান্তত হৈছে?' 'ঘ' আৰু 'গ'ৰ তৰ্ক-বিতৰ্ক চলি থকাৰ মাজতে 'খ'ই চিঞৰি উঠিল — 'মোৰ ৰুটিখন সিজাই নাই। কেঁচা আটা খাই থকা যেন লাগিছে!' 'ক'ই চিধাই মাত দিলে— 'মই একো কৰা নাই দেই!' 'খ'য়ো ফেপেৰি পাতি ধৰিলে — 'তাৰ মানে আপুনিয়ে কৰিছে এইবোৰ! নিজে ভাত খায়তো! গতিকে মোৰ ৰুটিকেইখন সিজিবলৈকে দিয়া নাই!' 'ক'ই খঙতে চিঞৰি উঠিল— 'কথা নক'বহে!' লাগি গ'ল তৰ্কযুদ্ধ। অলপ সময় পাছত টেবুলৰ পৰা টুং টাং বাচন ভঙাৰ শব্দ ভাহি আহিল। হোহোৱাই গাড়ীবোৰ চলি অহাৰ শব্দ আহিল। মহামিলন মহাভাঙোনত পৰিণত হ'ল।

# নানাৰঙী পখিলাৰ মেলা ঃ হাতবাউল দি মাতিছে পৰ্যটকক



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৩০ মে' ঃ** ঋতু পৰিৱৰ্তনৰ লগে লগে প্ৰকৃতিয়ে ৰূপ সলাইছে। বৰ্ষা ঋতুত নৰূপ লৈছে প্ৰকৃতি। সৰাপাতৰ পাছত প্ৰকৃতিৰ ন ৰূপে এতিয়া আকৰ্ষিত কৰিছে বহুতকে। লঠঙা গছ শুৱনি কৰিবলৈ ন কুঁহিপাতেৰে জাতিষ্কাৰ হৈছে প্ৰকৃতি। ঠন ধৰি উঠিছে কুঁহিপাতবোৰ। এতিয়া চাৰিওফালে সেউজীয়া মাথোঁ সেউজীয়া। চাৰিওফালে সেউজীয়াৰ মাজত আকৌ নানাৰঙী পখিলাৰ মেলা। ৰঙা, নীলা, হালধীয়া, বেঙুনীয়া ৰঙৰ জাক-জাক পখিলা। ৰং-বিৰঙৰ পখিলাই হাত বাউল দি মাতিছে পৰ্যটকক। প্ৰকৃতিৰ এনে মনোমুগ্ধ ৰূপত মোহিত হ'ব সকলোৱে। বাগ্‌সা জিলাৰ চৌকীৰ এই দৃশ্যই এতিয়া সকলোকে হাত বাউলি মাতিছে। জিলাখনৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত মানাহৰ চৌকীত এতিয়া শোভাবৰ্ধন কৰিছে নানাৰঙী পখিলাই। প্ৰকৃতিৰ সেউজ পৰিৱেশৰ মাজত এতিয়া পখিলাৰ শোভা। প্ৰকৃতিৰ এক নান্দনিক পৰিৱেশ। উল্লেখ্য যে বনভোজস্থলী চৌকীত প্ৰতি বছৰে মে'ৰ পৰা জুলাইলৈ দেখিবলৈ পোৱা যায় বিভিন্ন জাতৰ ৰং-বিৰঙৰ পখিলা। ইতিমধ্যে এই পখিলাসমূহ চাবলৈ আগমন ঘটিছে বহুলোকৰ, বহু প্ৰকৃতিপ্ৰেমীৰ। আনকি গুৱাহাটী বিশ্ববিদ্যালয়, আই আই টি গুৱাহাটী আদিৰ পৰা পখিলাৰ বিষয়ে গৱেষণা কৰিবলৈ বহুতে ভিৰ কৰিছে। মুঠতে চৌকীৰ নানাৰঙী পখিলাৰ জাকে আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে প্ৰকৃতিপ্ৰেমীক। আনহাতে, চৌকীয়ে সলাইছে দুমাহ পূৰ্বৰ ইয়াৰ ৰূপ। এতিয়া সোণাৰু আৰু বনৰীয়া ফুলে জেউতি চৰাইছে চৌকীৰ। ভূটান পাহাৰৰ সেউজ পৰিৱেশ আৰু পাগলাদিয়া নদীৰ কুলু কুলু শব্দই অধিক বিনন্দীয়া কৰি তুলিছে ইয়াৰ পৰিৱেশ। এই চৌকীক আটকধুনীয়া কৰি ৰাখিছে মানাহ চৌকী ইক' টুৰিজিম ছ'চাইটি নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে । সংগঠনটোৰ অন্যতম নেতা দীৰ্ঘ তামাঙে এই সন্দৰ্ভত কয়, 'মে', জুন, জুলাই মাহকেইটাত চৌকীত অসংখ্য ৰঙীণ পখিলা দেখিবলৈ পোৱা যায়। বনৰীয়া ফুলৰ ওপৰে ওপৰে ঘূৰিফুৰি থাকে জাক-জাক পখিলা। দেখিবলৈ বৰ ভাল লাগে। পখিলাৰ আনন্দ চাই চাই খোৱা-বোৱা পাহৰি যাওঁ। প্ৰতিবছৰে এই সময়ত জাক-জাক পখিলা আহে আৰু কিছুদিন থাকি গুচি যায়। নিশ্চয় পখিলাবোৰে আপোন মনে খেলাৰ বাবে চৌকী উত্তম ঠাই। নহ'লেনো কিয় আহিব। মই এই সন্দৰ্ভত গৱেষণাৰ লগত জড়িত ছাত্ৰ-ছাত্ৰীসকলক পখিলাৰ বিষয়ে গৱেষণা কৰিবলৈ আহ্বান জনাওঁ।

মানৱ জীৱন যিদৰে ৰহস্যময়, সেইদৰেই ৰহস্যৰে আবৰা মানৱ শৰীৰ। চিকিৎসা বিজ্ঞানৰ আধুনিক যুগতো বহু প্ৰশ্নৰ উত্তৰ অজ্ঞাত হৈ আছে। 'নেকেড ছায়েন্স'ৰ আওতাত পৰা এক অবিশ্বাস্য ঘটনাৰ সাক্ষী হ'ল বিহাৰ। ৰাজ্যখনৰ এটি ৪০ দিনৰ শিশুৰ পেটত পোৱা গ'ল ভ্ৰূণ।

# ৪০ দিনৰ শিশুৰ পেটত পোৱা গ'ল ভ্ৰূণ



## চিকিৎসকৰ তৎপৰতাত বিপদমুক্ত হ'ল বিহাৰৰ নৱজাত

নিউজ ব্যুৰ'

**পাটনা, ৩০ মে' ঃ** মানৱ জীৱন যিদৰে ৰহস্যময়, সেইদৰেই ৰহস্যৰে আবৰা মানৱ শৰীৰ। চিকিৎসা বিজ্ঞানৰ আধুনিক যুগতো বহু প্ৰশ্নৰ উত্তৰ অজ্ঞাত হৈ আছে। 'নেকেড ছায়েন্স'ৰ আওতাত পৰা এক অবিশ্বাস্য ঘটনাৰ সাক্ষী হ'ল বিহাৰ। ৰাজ্যখনৰ এটি ৪০ দিনৰ শিশুৰ পেটত পোৱা গ'ল ভ্ৰূণ। এই ঘটনাই স্তম্ভিত কৰি তোলে শিশুটিৰ পিতৃ-মাতৃৰ লগতে চিকিৎসককো।

এই ঘটনা সংঘটিত হৈছে বিহাৰৰ মতিহাৰীত। শিশুটিৰ পৰিয়ালে জনায় যে ৪০ দিন বয়সীয়া নৱজাতকটি কিছুদিনৰ পৰা অসুস্থ হৈ আছিল। প্ৰস্ৰাৱ কৰাতো কষ্ট অনুভৱ কৰিছিল। যদিও শিশুটিৰ অসুস্থতাৰ প্ৰকৃত কাৰণ পিতৃ-মাতৃয়ে বুজিব পৰা নাছিল। ইয়াৰ পাছতে শিশুটিক মতিহাৰীৰ ৰহমানিয়া মেডিকেল চেণ্টাৰলৈ অনা হয়। হাস্পতালখনত চিকিৎসকে দেখে যে শিশুটিৰ তলপেট ফুলি উঠিছে। ইয়াৰ উপৰি শিশুটিয়ে স্বাভাৱিকভাৱে মূত্ৰত্যাগ কৰিব পৰা নাই। ইয়াৰ পাছতে বিভিন্ন পৰীক্ষা-নিৰীক্ষা আৰম্ভ হয়। সেই পৰীক্ষাৰ ফলাফল দেখি স্বয়ং চিকিৎসকসকলেই স্তম্ভিত হৈ পৰে। কাৰণ তেওঁলোকে দেখিলে যে শিশুটিৰ পেটত এটি ভ্ৰূণ আছে। আনকি সেই ভ্ৰূণৰ ক্ৰমাৎ বিকাশ ঘটিছে।

বিশেষজ্ঞৰ মতে, এয়া আচলতে এক বিৰল ঘটনা। চিকিৎসা বিজ্ঞানৰ ভাষাত ইয়াক কোৱা হয় 'ফেটাছ ইন ফেটু'। প্ৰতি ১০ লাখ শিশুৰ ভিতৰত মাত্ৰ পাঁচটিৰ ক্ষেত্ৰত এনে ঘটনা দেখা যায়। এই ক্ষেত্ৰত দ্ৰুত অস্ত্ৰোপচাৰ নকৰালে শিশুটিৰ বিপদ হ'ব পাৰে বুলিও চিকিৎসকে জনাইছে। তেওঁলোকে লগতে জনায় যে মাতৃৰ গৰ্ভত থকা অৱস্থাতেই কোনো কোনো শিশুৰ পেটত ভ্ৰূণ সৃষ্টি হয় আৰু ক্ৰমাৎ বাঢ়ি আহে। বিহাৰৰ শিশুটিৰ ক্ষেত্ৰতো সেয়াই হৈছিল। অৱশ্যে সঠিক সময়ত হাস্পতাললৈ অনাৰ বাবে শিশুটি বিপদমুক্ত হয়। মতিহাৰীৰ ৰহমানিয়া মেডিকেল চেণ্টাৰৰ চিকিৎসক তাবৰেজ আজিজে এই প্ৰসংগত কয়, '৪০ দিনীয়া শিশুটিৰ পেটত ভ্ৰূণ থকাটো অত্যন্ত বিৰল ঘটনা। ইয়াক কোৱা হয় 'ফেটাছ ইন ফেটু'। শিশুটিৰ অস্ত্ৰোপচাৰ সম্পন্ন হৈছে। এতিয়া সুস্থ হৈ আছে। হাস্পতালৰ পৰা শিশুটিক শীঘ্ৰেই মুকলি কৰি দিয়া হ'ব।'



# তেজপুৰত বাণিজ্য দিৱস উদ্‌যাপন

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৩০ মে' ঃ** তেজপুৰত আজি অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ লগতে অসমীয়া ব্যৱসায়ী উন্নয়ন পৰিষদে পৃথকে অনুষ্ঠিত কৰে বাণিজ্য দিৱস। তেজপুৰ কলিবাৰীস্থিত অভাউসাৰ প্ৰাংগণত আজি অভাউসা সভাৰ উদ্যোগত আৰু অৰুণাচল চৰকাৰী পেঞ্চনাৰ সন্থাৰ সহযোগত অনুষ্ঠিত সভাত ৰাজ্যৰ বাণিজ্য কিংবদন্তি ভোলানাথ বৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পেঞ্চনাৰ সন্থা আৰু অভাউসা সভাৰ সভাপতি ক্ৰমে দিলীপ কুমাৰ বৰা আৰু পুলিন ভট্টাচাৰ্যই। ইয়াৰ পাছতেই ৯০ বছৰ বয়সত ভৰি দিয়া মহেন্দ্ৰ নাথ হাজৰিকাৰ স্মৃতি ৰোমন্থনৰে লিখি উলিওৱা পুথি এখন উন্মোচন কৰে বিশিষ্ট সাহিত্যিক ৰামচন্দ্ৰ চুতীয়াই। গ্ৰন্থ উন্মোচনী ভাষণত চুতীয়াই এনে এখন গ্ৰন্থ য'ত ১৯৬২ৰ চীনা আক্ৰমণৰ চাক্ষুষ বৰ্ণনা আৰু টিবিআৰ, ৰেলৰ বহু অলিখিত ইতিহাসৰ লগতে দুৰ্গম অৰুণাচলৰ পাহাৰ অঞ্চলৰ বহু কথাৰে সমৃদ্ধ পুথিখন তেজপুৰ অভাউসা সভাৰ দৰে অনুষ্ঠানে প্ৰকাশ কৰাটো গুৰুত্বপূৰ্ণ বিষয় বুলি মন্তব্য কৰে। পুথি উন্মোচনী সভাত শাৰীৰিক অসুস্থতা সত্ত্বেও ৯০ বছৰৰ ডেওনা পাৰ কৰা হাজৰিকাই সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাই বাণিজ্য দিৱস উপলক্ষে তেজপুৰৰ দুটা সফল ব্যৱসায়িক প্ৰতিষ্ঠান 'উষানগৰ মহিলা সমবায় সমিতি' ওৰফে 'সমাৰোহ' আৰু 'কলিবাৰী কো-অপাৰেটিভ কনজুমাৰ ষ্টোৰ্চ লিমিটেড' প্ৰতিষ্ঠানক সম্বৰ্ধনা জ্ঞাপন কৰে। সভাৰ সম্পাদক শান্তনু বৰুৱাই আঁত ধৰা অনুষ্ঠানত কয় যে সমাজৰ সকলো স্তৰৰ ব্যৱসায়-বাণিজ্যৰে জড়িত অনুষ্ঠানে অন্ততঃ আজিৰ দিনটোত সংঘবদ্ধভাৱে নিজ নিজ আওতাত এই দিৱস পালন কৰা উচিত যাতে উঠি অহা প্ৰজন্মৰ অনেকেই ব্যৱসায়-বাণিজ্যৰ প্ৰতি আকৰ্ষিত হ'ব পাৰে। বিশিষ্ট অতিথিৰূপে উপস্থিত থকা এনজেবি গ্ৰীণৰ মুখ্য কাৰ্যবাহী বিষয়া নয়নজ্যোতি ভট্টাচাৰ্যই সাউদ ভোলানাথৰ ত্যাগৰ লগতে অসমীয়া ব্যৱসায়ীৰ সফলতাৰ বিষয়ে চিত্তাকৰ্ষক বক্তব্য আগবঢ়ায়। আনহাতে, সমজুৰাৰ ফালৰ পৰা লেখিকা মায়া শৰ্মাই বাণিজ্য দিৱস সম্পৰ্কে সভাই লোৱা ভূমিকাক প্ৰশংসা কৰাৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কামনা কৰি কয় যে অসমীয়া মানুহে মাটি বেচা বন্ধ নকৰিলে বাণিজ্য দিৱসৰ অৰ্থ নাই। সভাত চহৰৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে শোণিতপুৰ জিলাৰ উপ-পঞ্জীয়ক প্ৰদীপ দাস উপস্থিত থাকে।

## সাউদ ভোলানাথ বৰুৱাক স্মৰণ

ইপিনে, তেজপুৰৰ ভূপেন হাজৰিকা কলাভূমিতো আজি বিয়লি বাণিজ্য বীৰ, দানবীৰ খ্যাত ১৯ শতিকাৰ অসমৰ আন্তঃৰাজ্যিক ব্যৱসায়ী সাউদ ভোলানাথ বৰুৱাৰ ৯৯ সংখ্যক স্মৃতি দিৱস উপলক্ষে অসমীয়া ব্যৱসায়ী উন্নয়ন পৰিষদৰ উদ্যোগত বাণিজ্য দিৱস পালন কৰা হয়। স্থানীয় ব্যৱসায়ীৰে গঠিত সংগঠনটোৰ সভাপতি বিনন্দ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত তেজপুৰ সদৰ ৰাজহ চক্ৰ বিষয়া পংকজ বৰা, মানৱ অধিকাৰ কৰ্মী ড° পৰশমণি সিংহ, সংগঠনটোৰ সাধাৰণ সম্পাদক সৰ্বানন্দ দাসসহ বহুসংখ্যক ব্যৱসায়ী আৰু ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে বাণিজ্য দিৱস উপলক্ষে পৰিষদৰ তৰফৰ পৰা তেজপুৰৰ বিভিন্ন ব্যৱসায়ৰে জড়িত হৈ আত্মনিৰ্ভৰশীলতাৰ দৃষ্টান্ত দাঙি ধৰা কাবুল শৰ্মা, নৰেণ লহকৰ, দিগন্ত নাথ, বাবুল কলিতা আৰু লক্ষ্যজ্যোতি শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে পৰিষদৰ উদ্যোগত এই দিনটো দ্বিতীয়বাৰলৈ বাণিজ্য দিৱস হিচাপে পালন কৰা হয়।

## ১১০৯ পুৰুষে মহিলাৰ মাহেকীয়াৰ ওপৰত প্ৰদান কৰা প্ৰশিক্ষণত অংশ গ্ৰহণ

# কামৰূপ জিলা প্ৰশাসনৰ 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ'ত স্থান লাভ



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ৩০ মে' ঃ** কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আজি ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীৰ মুখ্য প্ৰেক্ষাগৃহত মহিলাৰ মাহেকীয়াৰ সময়ত পালন কৰিবলগীয়া স্বাস্থ্যসন্মত বিধি-বিধান তথা বিভিন্ন অন্ধবিশ্বাস তথা ভ্ৰান্ত ধাৰণা নিৰ্মূলকৰণ সম্পৰ্কত পুৰুষসকলৰ মাজত বিশেষ সজাগতা সৃষ্টি কৰাৰ অৰ্থে 'মেন ইন মেনষ্ট্ৰুৱেশ্যন' শীৰ্ষক এক বিশেষ প্ৰশিক্ষণৰ আয়োজন কৰা হয়। ১১০৯জন পুৰুষে মহিলাৰ ঋতুস্ৰাৱ সম্বন্ধীয় বিভিন্ন বিষয়ৰ জ্ঞান অৰ্জনৰ লক্ষ্যৰে আয়োজিত অনুষ্ঠানটোৱে 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ'ত স্থান লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আজি কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত একেটা স্থানতে মহিলাৰ ঋতুস্ৰাৱ সম্বন্ধীয় জ্ঞান প্ৰদান প্ৰশিক্ষণত এই বৃহৎ সংখ্যক পুৰুষৰ অংশগ্ৰহণেৰে কামৰূপ জিলা প্ৰশাসনে 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ'ত স্থান লাভ কৰি এক অভিলেখৰ সৃষ্টি কৰিছে। কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এন, ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীৰ সঞ্চালক অধ্যাপক ড° টিজি সীতাৰাম, ফেডাৰেছন অৱ ইণ্ডাষ্ট্ৰি এণ্ড কমাৰ্চ অৱ নৰ্থ ইষ্ট ৰিজন' (ফাইনাৰ)ৰ অধ্যক্ষ পৱিত্ৰ বুঢ়াগোহাঁই, গুৱাহাটী প্ৰযুক্তি প্ৰতিষ্ঠানৰ অধ্যাপক দীপাংকৰ বন্দোপাধ্যায়, ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছৰ এডজুডিকেটৰ জীতেন্দ্ৰ কুমাৰ জৈনকে ধৰি কামৰূপ জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ লগতে বহু সংখ্যক সচেতন লোকৰ উপস্থিতিৰে আয়োজিত উক্ত অনুষ্ঠানৰ আৰম্ভণিতে কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এনে নিজৰ আদৰণি ভাষণত মহিলাৰ ঋতুস্ৰাৱ সম্বন্ধীয় জ্ঞান প্ৰদানৰ এই প্ৰশিক্ষণ কাৰ্যসূচীত ইমান বৃহৎ সংখ্যক পুৰুষৰ অংশগ্ৰহণ সঁচাকৈয়ে এক ইতিবাচক দিশ বুলি উল্লেখ কৰে। লগতে কামৰূপ জিলা প্ৰশাসনে বিগত এবছৰ ধৰি সমাজৰ বিভিন্ন স্তৰৰ জনসাধাৰণৰ মাজত গ্ৰহণ কৰি অহা ব্যাপক সজাগতাৰ কাৰ্যসূচীৰ বিষয়ে নিজৰ ভাষণত উল্লেখ কৰে। আজি পুৰুষসকলৰ মাজত এই বৃহৎ প্ৰশিক্ষণৰ কাৰ্যসূচী এই দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলিও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ সঞ্চালক অধ্যাপক ড° টিজি সীতাৰামে ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীৰ চৌহদত এনে এক গুৰুত্বপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰিবলৈ পাই তেওঁ গৌৰৱান্বিত বোধ কৰিছে বুলি উল্লেখ কৰি এহেজাৰৰ ওপৰ পুৰুষৰ এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণে এই দিশত এক মানসিকতাৰ পৰিৱৰ্তনৰ সূচনা কৰিব বুলি কয়। অনুষ্ঠানত 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ'ৰ এডজুডিকেটৰ জীতেন্দ্ৰ কুমাৰ জৈনে ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছৰ বিভিন্ন চৰ্তাৱলী সম্পৰ্কে বক্তব্য আগবঢ়ায়। কামৰূপ জিলা প্ৰশাসনে বিগত এমাহ ধৰি মহিলাৰ ঋতুস্ৰাৱ সম্পৰ্কীয় বিষয়ৰ ওপৰত আয়োজন কৰা বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰ অৱলোকনেৰে প্ৰস্তুত কৰা এক ভিডিঅ' অনুষ্ঠানত প্ৰদৰ্শন কৰা হয়। কামৰূপ জিলাৰ সহকাৰী আয়ুক্ত শ্বেহনাব চাহিনে আঁত ধৰা অনুষ্ঠানত প্ৰকল্প বালাৰ প্ৰশিক্ষক শুভ্ৰজিৎ বাগ্‌চিয়ে এই সম্পৰ্কত বিস্তৃত প্ৰশিক্ষণ প্ৰদান কৰাৰ উপৰি স্বচ্ছ ভাৰত অভিযানৰ কামৰূপ জিলাৰ সমন্বয়ক জলি কলিতাই সহযোগিতা আগবঢ়ায়।



*তেজপুৰত আয়োজিত যোগা মহোৎসৱত অংশগ্ৰহণ কৰা একাংশ, সোমবাৰে।*

# সংখ্যালঘু অধ্যুষিত অঞ্চলৰ জৰাজীৰ্ণ বাট পথকে ধৰি বিভিন্ন সমস্যা সমাধানৰ দাবী

## লালুকত জিলা আমছুৰ ৰাজ্যিক ঘাইপথ অৱৰোধ

অগ্ৰদূত বাৰ্তা

**লালুক, ৩০ মে' ঃ** লখিমপুৰ জিলাৰ সংখ্যালঘু বসতিপ্ৰধান অঞ্চলৰ বাট-পথকে ধৰি বিভিন্ন সমস্যা সমাধানৰ দাবীত আজি সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ লখিমপুৰ জিলা সমিতিয়ে লালুক কৰুণাবাৰীত ৰাজ্যিক ঘাইপথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। আজি পুৱা ১০-৩০ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ লালুক-বিহপুৰীয়া সংযোগী ৰাজ্যিক ঘাইপথত লালুক কৰুণাবাৰীত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদীসকলে 'ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ ব্যৱস্থা কৰক, সংখ্যালঘুসকলক সুশিক্ষা প্ৰদান কৰক, আমাক সমউন্নয়ন লাগিবই, সংখ্যালঘুসকলক লৈ ৰাজনীতি বন্ধ কৰক, গড়কাপ্তানী বিভাগ হায় হায়' আদি শ্ল'গান দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদথলীত বিহপুৰীয়া ৰাজহ চক্ৰ বিষয়াই উপস্থিত হয়। সংগঠনটোৱে লখিমপুৰ জিলা উপায়ুক্তৰ জৰিয়তে বিভিন্ন দাবী সম্বিলিত স্মাৰকপত্ৰ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে। স্মাৰকপত্ৰ লখিমপুৰ জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰ বাট-পথসমূহৰ দুৰাৱস্থাৰ বাবে জনগণে দৈনিক



যমৰ যাতনাৰ সন্মুখীন হৈ আহিছে বুলি উল্লেখ কৰে। শেষতীয়াকৈ হৈ যোৱা বানপানীৰ ফলত কৃষক আৰু মীন পালকসকলে সৰ্বস্ব হেৰাই আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে। তদুপৰি চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে উপযুক্ত আৰু যোগ্য শিক্ষকৰ অভাৱৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে গুণগত শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈ আছে। লখিমপুৰ জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত কোনো উন্নয়নৰ প্ৰতিচ্ছবি দেখা পোৱা নাযায়। এই ক্ষেত্ৰত স্থানীয় বিধায়কৰো অনিহা আৰু নীৰৱ ভূমিকা লোৱা বুলি সংগঠনটোৱে স্মাৰকপত্ৰত উল্লেখ কৰিছে। সংগঠনটোৱে লালুকৰ সমীপৰ এক নম্বৰ কৰুণাবাৰীৰ পৰা তেলখাদ হৈ পাভ চাৰিআলি সংযোগী যাতায়াতৰ অনুপযোগী জৰাজীৰ্ণ গড়কাপ্তানী পথ বহল কৰি পুনৰ নিৰ্মাণ, দুই নম্বৰ কৰুণাবাৰীৰ পৰা বেচাপট্টি হৈ ইছলামপুৰ ব্লক হাইস্কুল সংযোগী জৰাজীৰ্ণ গড়কাপ্তানী পথ বহল কৰি পুনৰ নিৰ্মাণ, দুই নম্বৰ কৰুণাবাৰীৰ পৰা যুবনগৰ হৈ ফতেহপুৰ তিনিআলি সংযোগী জৰাজীৰ্ণ পথ বহলকে ধৰি বহুতো বাট-পথৰ লগতে কৃষক, মীন পালকৰ সমস্যাসমূহ সমাধানৰ দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীত আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি আনাৰুল ইছলাম, সহকাৰী সম্পাদক ৰাজু ৰহমান, প্ৰচাৰ সম্পাদক হবিবুৰ ৰহমান, জিলা আমছুৰ উপদেষ্টা মিজানুৰ ৰহমান, জিলা সভাপতি বদিউৰ ৰহমান, সাধাৰণ সম্পাদকদ্বয় জিয়াৰুল ইছলাম, আব্দুল বাছিতৰ লগতে আমছুৰ বহু নেতা-কৰ্মী উপস্থিত থাকে।

# সংখ্যালঘুক চৰকাৰে প্ৰমাণ পত্ৰ দিবলৈ লোৱা কাৰ্যৰ বিৰোধিতা

## গুৱাহাটী প্ৰেছ ক্লাবত কুটুম্ব সুৰক্ষা পৰিষদৰ সংবাদমেল




ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ মে' ঃ** ভূমিষ্ঠ হৈয়ে সনাতন হিন্দু সভ্যতা-সংস্কৃতি ৰক্ষাৰ দায়িত্ব চমজি লোৱাৰ দাবী কৰিছে কুটুম্ব সুৰক্ষা পৰিষদ নামৰ সংগঠনটোৱে। হিন্দুত্ব ৰক্ষাৰ স্বাৰ্থত মুছলমানৰ বিৰুদ্ধে কঁকালত টঙালি বান্ধি ওলাইছে সংগঠনটো। প্ৰয়োজনত ৰাজনীতি, প্ৰয়োজনত কূটনীতি, মহাভাৰতৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নৱভাৰত নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰিছে সংগঠনটোৱে। যোৱা ২৬ এপ্ৰিলত ভূমিষ্ঠ হোৱা সংগঠনটোৱে লগতে শংকৰ গুৰুজনাক জগতমুখী কৰাৰো এক সংকল্প হাতত লৈছে।

আজি গুৱাহাটী প্ৰেছ ক্লাবত এক সংবাদমেলযোগে সংগঠনটোৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে জানিবলৈ দিয়ে হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰাই। তেওঁ কয়, 'সম্প্ৰতি অসমত ৰাষ্ট্ৰবাদ আৰু জাতীয়তাবাদৰ মাজত তীব্ৰ সংঘাত সৃষ্টি হৈছে। যি আমাৰ বাবে অশুভ। আমি এই দুই সত্তাৰ মাজৰ সংঘাত আঁতৰাবলৈ চেষ্টা কৰিম। যাতে সনাতন সত্তাৰ তলত সকলোকে একেলগ কৰিব পাৰো।' শংকৰ গুৰুজনাক অসমতে সীমাবদ্ধ কৰি নাৰাখি জগতসভালৈ নিয়াৰ এক প্ৰচেষ্টাও পৰিষদে গ্ৰহণ কৰা বুলি বৰাই উল্লেখ কৰে। তেওঁ উদ্বেগ প্ৰকাশ কৰি কয়, 'শংকৰ গুৰুজনাই ব্ৰাহ্মণ হত্যা, পিতৃ হত্যা, গো হত্যা, স্ত্ৰী হত্যা আদি মহাপাপ বুলি কৈছিল যদিও আজি গো হত্যাকাৰী মুছলমানসকলক ওচৰত বহুৱাই আমি শংকৰদেৱৰ গুণানুকীৰ্তন কৰি আছো।' শংকৰদেৱক অসমত নালাগে গুৱাহাটীৰ ফাঁচি বজাৰতেই কোনেও চিনি নাপায় বুলি মন্তব্য কৰি সত্যৰঞ্জনে শংকৰ গুৰুজনাৰ লগতে সকলো মহাপুৰুষ তথা বীৰ বীৰাংগনাৰ জন্মজয়ন্তী অসমৰ বাহিৰত উদ্‌যাপন কৰিব বুলিও ঘোষণা কৰে। নেতাজনে অসমত সনাতন হিন্দু সভ্যতা-সংস্কৃতি ৰক্ষাৰ বাবে মহাভাৰতে প্ৰদান কৰা পথেৰে গতি কৰিব বুলি কৈ অসমত 'বিজতৰিয়া পদাৰ্থ'ক অসমৰ পৰিৱেশ বিনষ্ট কৰিবলৈ নিদিয়ে বুলি পৰোক্ষভাৱে মুছলমানসকলক হুংকাৰ দিয়ে। গাঁওৰক্ষা বাহিনী গঠনেৰে অসমৰ গাঁওসমূহত এই লোকসকলে যাতে মাছ, শাক বিক্ৰী কৰিব নোৱাৰে, অসমৰ জীয়ৰী-বোৱাৰীৰ অনিষ্ট কৰিব নোৱাৰে তাৰ প্ৰতিও এই বাহিনীয়ে কাম কৰি যাব বুলি উল্লেখ কৰে। সংবাদমেলত তেওঁ অসম চৰকাৰ তথা ইছলামধৰ্মী লোকসকললৈ কে'বাটাও দাবী উত্থাপন কৰে ।

তেওঁ অসম চৰকাৰে যিদৰে অসমৰ মঠ মন্দিৰ, দেৱালয়সমূহ পৰিচালনা কৰে ঠিক তেনেদৰে গিৰ্জা-মছজিদসমূহো চৰকাৰে নিজৰ আওতালৈ নিয়াৰ দাবী কৰে। তেনেদৰে অসমৰ ধুবুৰী জিলাৰ কে'বাটাও মছজিদ পূৰ্বতে হিন্দুৰ মন্দিৰ আছিল বুলি সন্দেহ ব্যক্ত কৰি অসমত তিনিশ বছৰীয়া যিমানবোৰ মছজিদ আছে সেই সমূহত প্ৰত্নতাত্ত্বিক সমীক্ষা কৰি খনন কৰাৰো দাবী উত্থাপন কৰে। আনহাতে, আগন্তুক ঈদত যাতে গো হত্যা নহয় তাৰ বাবে অসম চৰকাৰক ব্যৱস্থা ল'বলৈ দাবী জনায়। ঠিক তেনেদৰে তেওঁ আজানত লাউড স্পীকাৰ বা অনুভাষ যন্ত্ৰ ব্যৱহাৰ বন্ধ কৰাৰো দাবী উত্থাপন কৰে। একেদৰে অসমৰ সকলো চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠানত গীতা পাঠ বাধ্যতামূলক কৰাৰ দাবী জনায়। ইপিনে, অসম মিঞা পৰিষদ নামৰ সংগঠনটোক ইয়াৰ নাম সলনি কৰাৰো দাবী জনায়। যিদৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আজিলৈ কৰা নাই ঠিক তেনেদৰে সংখ্যালঘুসকলকো চৰকাৰক প্ৰমাণ পত্ৰ প্ৰদান নকৰিবলৈ আহ্বান জনায়। তেওঁ গৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ হোৱা ধুবুৰীৰ আৰক্ষী বিষয়া ভাস্কৰ নাথৰ সুৰক্ষাৰ দাবী জনায়।

অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com